# ASSAM
# LEGISLATIVE ASSEMBLY
# DEBATES

## OFFICIAL REPORT

EIGHTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE TENTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

**BUDGET SESSION**

## No. 16

**The 11th May, 1999**

**Price Rs. 35.50**

# ASSAM
# LEGISLATIVE ASSEMBLY
# DEBATES

सत्यमेव जयते

## OFFICIAL REPORT

EIGHTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE TENTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

BUDGET SESSION

**No. 16**

**The 11th May, 1999**

Price Rs. 35.50

# CONTENTS

## BUDGET SESSION

## No. 16

**Dated, the 11th May, 1999**


| | | page |
|---|---|---|
| 1. | Questions and Answers | 1-52 |
| 2. | Zero Hour Matters | 52-64 |
| 4. | Matter Under Rule 301 | 64-71 |
| 5. | Consideration and Passing of Government Bills | 71-79 |
| 6. | Announcement from the Chair | 80 |
| 7. | Adjournment | 80 |
| 8. | Annexures - I to VI | 81-102 |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY
## Budget Session, 1999

The House met at 4 P.M. of the Clock in the Assembly Chamber at Dispur with Shri Ganesh Kutum, Speaker in the Chair.

## STARRED QUESTIONS AND ANSWERS
(To which oral replies were given.)

**Mr. Speaker :** Now Starred Question No. 261 Hon'ble member Shri Chandra Kanta Terang. Hon'ble Minister Indutries is to reply.

**বিষয় ঃ ৰাজহুৱা খণ্ডৰ ৰুগ্ন উদ্যোগ**

**শ্ৰী চন্দ্ৰকান্ত তেৰাঙে সুধিছে ঃ**

*২৬১। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰে ১৫ মে, ৯৮ তাৰিখৰ "আমাৰ অসম" কাকতত জনসংযোগৰ দ্বাৰা প্ৰকাশিত বিজ্ঞাপন "উদ্যোগিক বিকাশৰ পথত সফল পদক্ষেপ"ৰ জৰিয়তে উদ্যোগ বিভাগে গ্ৰহণ কৰা ক্ৰমিক নং ১২৩ উল্লেখ কৰা "ৰাজহুৱা খণ্ডত ৰুগ্ন উদ্যোগ সমূহৰ পুনৰ উজজীৱনৰ বাবে ব্যৱস্থা" বিষয়ত কোনটো কোনটো ৰাজহুৱা খণ্ডৰ উদ্যোগৰ পুনৰ উজজীৱনৰ ক্ষেত্ৰত কি কি ব্যৱস্থা উদ্যোগ বিভাগে কেনেদৰে গ্ৰহন কৰি কি কি সফলতা দেখুৱাইছে বিতংকৈ জনাবনে?

(খ) ১৯৯৮-৯৯ চনৰ বাজেট ভিত্তিত ৰাজ্যখনৰ উৎপাদন বন্ধ হৈ থকা ৰাজহুৱা খণ্ডৰ ৰুগ্ন উদ্যোগ সমূহৰ পুনৰ উজ্জীৱিতকৰণৰ বাবে উদ্যোগ ভিত্তিত যি পূজি নিৰ্দ্ধাৰণ কৰিছিল সেই পূজিবোৰ মোকলাই দিয়া হৈছেনে আৰু তাৰ ব্যৱহাৰ কেনেদৰে কৰা হৈছে জনাবনে?

গ) অসমত উৎপাদন বন্ধ হৈ থকা ৰাজহুৱা আৰু সমবায় খণ্ডৰ উদ্যোগ সমূহৰ শ্ৰমিক কৰ্মচাৰী সকলৰ উদ্যোগ ভিত্তিত কিমান কিমান দৰমহা দিবলৈ বাকী আছে আৰু দৰমহা আদায়ৰ বাবে চৰকাৰে কি ব্যৱস্থা

হাতত লৈছে?

**শ্ৰী গুণীন হাজৰীকা (উদ্যোগ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) অসম চৰকাৰে নিম্নলিখিত বন্ধ হৈ থকা ৰুগ্ন উদ্যোগবোৰ যুটীয়া খণ্ডত বা ব্যক্তিগত যোগদানেৰে পুনৰ জীৱিত কৰণৰ বাবে ব্যৱস্থা গ্ৰহন কৰা হৈছে ঃ

১) অসম চিনটেক্স লিমিটেড্।

২) অসম ৰাজ্যিক বয়ন আৰু উৎপাদন লিমিটেড্।

৩) অসম ৰাজ্যিক সাৰ আৰু ৰাসায়নিক লিমিটেড্।

৪) ফাৰ্টিকেম লিমিটেড্।

৫) কাছাৰ চুগাৰ মিলচ্ লিমিটেড্।

(খ) যোৱা ১৯৯৮-৯৯ চনত ৰুগ্ন উদ্যোগ সমূহ পুনৰজীৱিত কৰিবলৈ মুঠ ৪৫২.১৬ লাখ টকা আৱন্টন কৰা হৈছিল। ইয়াৰ ভিতৰত ২২৩.৬১ লাখ টকা বিভিন্ন শিতানত মোকলাই দিয়া হৈছে। বাকী ২২৯.৩৫ লাখ টকা বিত্তীয় নাটনিৰ বাবে মোকলাই দিব পৰা নহ'ল।

(গ) উদ্যোগ বিভাগৰ ৬টা বন্ধ হৈ থকা ৰাজহুৱা উদ্যোগ খণ্ডৰ শ্ৰমিকৰ দৰমহা আদায় দিবলগীয়া ধন সমূহ তলত উল্লেখ কৰা হ'ল ঃ

১) অসম চিনটেক্স লিঃ ৬.০০ কোটি।

২) অসম ৰাজ্যিক সাৰ আৰু ৰাসায়নিক লিঃ ২.১২ কোটি।

৩) অসম ৰাজ্যিক বয়ন আৰু উৎপাদন লিঃ ১.২২ কোটি।

৪) ফাৰ্টিকেম্ লিমিটেড ১.৭৪ কোটি।

৫) কাছাৰ চুগাৰ মিলচ লিমিটেড ২৮.৫০ কোটি।

৬) অসম স্পান চিলক্ মিলচ্ লিঃ ৪.৮০ কোটি।

যিহেতু উক্ত ১নং পৰা ৬নং লৈ উদ্যোগ সমূহ ব্যক্তিগত খণ্ডলৈ হস্তান্তৰ কৰাৰ বুজাবুজি পত্ৰ প্ৰস্তুত কৰা হৈছে, উক্ত কামখিনি সম্পন্ন হৈ উঠিলে নিয়মীয়াকৈ দৰমহা পাব বুলি আশা কৰা হৈছে। অসম স্পান চিল্ক মিঃ লিঃৰ পুনৰ জীৱিতৰ বাবেও বিভাগে চেষ্টা কৰি আছে।

* **শ্ৰী চন্দ্ৰকান্ত তেৰাং ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নৰ উত্তৰত উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে কৈছে যে ৰুগ্ন উদ্যোগ সমূহ পুনৰ জীৱিত

কৰাৰ বাবে কেইবাটাও উদ্যোগৰ শ্ৰমিক, কৰ্মচাৰী সকলে ইতিমধ্যে আন্দোলন আৰম্ভ কৰিছে। এইক্ষেত্ৰত চৰকাৰে যিবিলাক পদক্ষেপ লম বুলি বিভিন্ন কাগজে পত্ৰই প্ৰতিশ্ৰুতি দিছিল এইক্ষেত্ৰত বিশেষকৈ মই কব খুজিছো যে চৰকাৰে 'প্ৰগতিৰ দুটা বছৰ' 'উদ্যোগিক বিকাশৰ পথত সফল পদক্ষেপ'ৰ যি ঘোষণা কৰিছিল তাৰ ১২নং উদ্যোগ সমূহৰ ক্ষেত্ৰত কি ব্যৱস্থা গ্ৰহন কৰিছে। এইক্ষেত্ৰত চৰকাৰ আৰু শ্ৰমিক-কৰ্মচাৰীৰ মাজত এগ্ৰিমেন্ট হৈছিল যদিও এতিয়ালৈকে বিশেষ ব্যৱস্থা লোৱা হোৱা নাই। তাৰোপৰি ৩০/০৫/৯৮ তাৰিখ উদ্যোগ বিভাগৰ আয়ুক্ত ও সচিবৰ লগত হোৱা আলোচনা মৰ্ম্মে সদিচ্ছাই অৱসৰ লবলগীয়া কৰ্ম্মচাৰী সকলৰ লগত দৰমহাৰ লগত দিবলগীয়া এক তৃতীয়াংশ ধন আদায় দিয়া হৈছে নে? এই ধন ১৯৯৮ চনৰ ভিতৰতে দিয়া হব বুলি কোৱা হৈছিল যদিও কিয় দিব পৰা নাই সেই বিষয়ে জনাব নে?

* **শ্ৰী গুনীন হাজৰিকা (উদ্যোগ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ত আমি বিত্ত বিভাগলৈ প্ৰস্তাৱ পঠিয়াইছিলো। কিন্তু বিত্ত বিভাগৰ পৰা চিলিং নোপোৱাৰ কাৰণে দিব পৰা হোৱা নাই।

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, উদ্যোগ মন্ত্ৰী মহোদয়ে ৰুগ্ন উদ্যোগ সমূহৰ ক্ষেত্ৰত কেইবাবাৰো বিবৃতি দিছে। মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব খুজিছো যে উমৰাংচু চিমেন্ট কাৰখানা, বিনয় চিমেন্ট আৰু নেচিম নামৰ চিমেন্ট কাৰখানা কেইটা আজি ৪০ দিনে বিজুলি যোগানৰ অভাৱত বন্ধ হৈ থকাটো সত্য নে? যদি সত্য তেনেহলে উদ্যোগ বিভাগে কি ব্যৱস্থা গ্ৰহন কৰিছে?

দ্বিতীয়তে, আই.ডি.বি.আই.ৰ চীফ জেনেৰেল মেনেজাৰে অসম চৰকাৰলৈ কিবা চিঠি লিখিছিল নেকি আৰু চিঠি উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে পাইছিল নেকি? যদি পাইছিল তেনেহলে কি ব্যৱস্থা লৈছে?

* **শ্ৰী গুনীন হাজৰিকা (উদ্যোগ মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, এইক্ষেত্ৰত এটা বেলেগ প্ৰশ্নৰ প্ৰয়োজন। তথাপিও মাননীয় সদস্য গৰাকীক মই জনাও যে উমৰাংচু চিমেন্ট আজি এমাহ ধৰি বিজুলি শক্তিৰ অভাৱত বন্ধ হৈ আছে। আই,ডি,বি,আই,ৰ পৰা আমি এখন চিঠি পাইছো। এইক্ষেত্ৰত শক্তি দপ্তৰৰ লগত যোগাযোগ কৰিছো আৰু এ,এচ,ই,বিৰ লগতো যোগাযোগ কৰিছো। এই বিষয়ত

* Speech not corrected

শক্তি বিভাগৰ পৰাহে বিশেষ তথ্য ভালদৰে দিব পাৰিম।

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া :** অধ্যক্ষ মহোদয়, এইটো এটা বৰ গুৰুত্বপূৰ্ণ বিষয়। এই উদ্যোগ কেইটা আজি ৪০ দিন ধৰি বন্ধ হৈ আছে আৰু তাৰ বাবে অসম চৰকাৰে ৩.৩৫ কোটি টকা হেৰুৱাব লগা হৈছে। গতিকে আমাৰ ৰাজ্যখনৰ বিত্তীয় সমস্যাৰ প্ৰতি লক্ষ্য ৰাখি মন্ত্ৰী ডাঙৰীয়াই বিশেষ অগ্ৰাধিকাৰ ভিত্তিত শক্তি বিভাগৰ লগত আলোচনা কৰি তৎকালে ব্যৱস্থা গ্ৰহন কৰিব লাগে। ইয়াৰ বাহিৰে আই,ডি,বি,আই,ৰ চেয়াৰমেনৰ লগত অসম চৰকাৰৰ যি আলোচনা হৈছিল সেই আলোচনাত তেওঁলোকৰ পৰা ঋণ বিচৰা হৈছিল যদিও তেওঁলোকে অসন্মতি প্ৰকাশ কৰিছিল। এই চিঠিৰ কপি মোৰ হাতত আছে। গতিকে এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে নিজাববীয়াকৈ ব্যৱস্থা গ্ৰহন কৰিব নে?

**Mr. Speaker :** What I suggest is that the supplementary question should be very specific.

* **শ্ৰী চন্দ্ৰকান্ত তেৰাং :** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে (খ) প্ৰশ্নৰ উত্তৰ দিছে - যোৱা ১৯৯৮-৯৯ চনৰ ৰুগ্ন উদ্যোগ সমূহ পুনৰজীৱিত কৰিবলৈ মুঠ ৪৫২.৯৩ লাখ টকা আৱন্টন কৰা হৈছিল। ইয়াৰ ভিতৰত ২২৩.৬১ লাখ টকা বিভিন্ন শিতানত মোকলাই দিয়া হৈছে। বাকী ২২৯.৩৫ লাখ টকা বিত্তীয় নাটনিৰ বাবে মোকলাই দিব পৰা নহল বুলি কৈছে। চৰকাৰে পুনৰজীৱিত কৰাৰ কাৰণে ৪৫২.৯৩ লাখ টকাৰ আৱন্টন কৰা হৈছিল বুলি কৈছে আঁচলতে সেইটো নহয়। পঞ্চাশ লাখ ওৱেভিং কমপ্লেক্স, কাটিমাৰী আৰু জাপজাপকুছি, ৯.৩০ লাখ আসাম ষ্টেট ফাৰ্টিলাইজাৰ এণ্ড কেমিকেলচ লিঃ, চন্দ্ৰপুৰ, ২৪.৪৪ লাখ একেইটাত দিছে। ৩৮.৩৫ লাখ, আসাম প'লিটেক্স লিঃ, জাগিৰোড, ১৫৯ লাখ ৰিহেবিলেটেশ্বন/ৰিভাইভেল/ৰিষ্ট্ৰাকচাৰিং/ৰিঅৰিয়েন্টেড ড্ৰাইভ অব পি,এচ,ইউ,এচ। ২৬ লাখ আসাম চিনটেক্স লিঃ নাথকুছি। ২৪ লাখ ফাৰ্টিকেম লিঃ বোন্দা, মুঠ ২৫৪.৬১ লাখ টকা। কিন্তু চৰকাৰে কৈ আছে ৪৫২.৯৩ লাখ টকা। চৰকাৰে এইটোৰ স্পষ্টীকৰণ দিব নেকি?

* **শ্ৰী গুণীন হাজৰিকা (উদ্যোগ মন্ত্ৰী) :** অধ্যক্ষ মহোদয়, যিবিলাক ৰুগ্ন উদ্যোগ আছে সেই বিলাকৰ বেংক লায়েবিলিটি আছে। ইয়াত কেইটামান উদ্যোগৰ কথা ধৰা আছে। অশোক পেপাৰ মিল ১০৪ লাখ, আসাম প'লিটেক্স

* Speech not corrected

৩৮.৩৫ লাখ, আসাম ষ্টেট ওৱেভিং এণ্ড মেনিফেকচাৰিং কোঃ লিঃ ১০ লাখ, চিনটেক্স লিঃ ১৩.৫২ লাখ, আসাম ষ্টেট ফাৰ্টিলাইজাৰ এণ্ড কেমিকেলচ ২৯.৩৫ লাখ, আৰু ৯.৩০ লাখ আৰু ২৪.৪৪ লাখ, ফাৰ্টিকেম লিঃ ২৪ লাখ, কাছাৰ চুগাৰ মিল ৪০.৪১ লাখ, মুঠ ২৯৩.৩৭ লাখ টকা।

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া** ঃ মাননীয় অধ্যক্ষ মহোদয় Matter is very serious.

**মাননীয় অধ্যক্ষ** ঃ মই মাননীয় সদস্য সকলৰ জ্ঞাতাৰ্থে কওঁ যে গোটেই প্ৰশ্নকাল এটা বিষয়ৰ ওপৰত কটাব দিব নোৱাৰি। If you so desire then you can raise in a half an hour discussion. Why you are killing so much time?

Now Starred Question No. 262. Hon'ble member Shri Bimolangshu Roy. Hon'ble Minister Education is to reply.

## Re.: Vacant post of Subject teachers.

**Shri Bimolangshu Roy asked :**

*262. Will the Minister of Education be pleased to state:

(a) Is it a fact that for non-filling of large number of vacant posts including posts of Principal, English, Science, Manipuri Subject teachers the authorities have reduced the number of seats from 120 to 80 in Silchar Teachers Training College?

(b) Is it a fact that Hon'ble Minister assured the House in reply to a Starred Question about one & half year ago to fill up all existing vacancies within two months?

(c) Is it a fact that teachers of the Institution are also not getting their salaries regularly?

(d) Will the Government fill up the existing vacancies?

(e) If so, when?

**Shri Thaneswar Boro (Minister) replied :**

(a) It is not a fact. The intake capacity of Teacher

---

* Speech not corrected

Training College, Silchar is 80 (eighty) as per NCTE's norms.

(b) Yes, steps are being taken accordingly.

(c) Partially correct. Due to non-release of recurring grant by the Govt. of India, some teacher are not getting their salaries in time. But it does not happen always.

(d) Yes. As soon as the file is returned by W.P.T. & B.C. Department.

(e) As above 'd'.

* **Shri Bimolangshu Roy :** Hon'ble Speaker, Sir, May I know from the Hon'ble Minister how many post of teachers and Principals are lying vacant and for how many years?

* **Shri Thaneswar Boro (Minister) :** Hon'ble Speaker, Sir, actually the position regarding exact number of vacancies are not available with me. The problem is why we could not appoint the teachers - as per present norms of NCTE the intake capacity of number of seats in all Government Teachers Training College has been reduced to 80, hence there is no question for reduction of the number of seats for nonfilling of teaching staff. Government is always trying to fill up the existing vacancies of Educational Training Institution, but due to some departmental procedure there needs some time for such works. For filling up of the existing vacancies of B.Ed. College, a selection list from APSC has been received and the matter is under active consideration of the Government. Meanwhile the concerning file has been sent to WPT & BC Department for their views in respect of financialisation of roster points.

* **Shri Bimolangshu Roy :** This was not my question. My question was that how many sanctioned posts in

* Speech not corrected

Silchar B.T. College are lying vacant and for how many years. Hon'ble Minister has not replied to any of my questions? My question is - (1) How may sanctioned post of teachers in Silchar B.T. College are lying vacant; (2) for how many years? So far my knowledge goes these posts are lying vacant for more than 10/12 years and that is why I am asking this specific question.

* **Shri Thaneswar Boro (Minister) :** Sir, all the datas are not available in the file. Anyway I shall look into the matter.

* **Shri Bimolangshu Roy :** Hon'ble Speaker, Sir, in reply to question (b) Hon'ble Minister had replied that "Yes, steps are being taken accordingly". In this connection the then Minister, Education Shri Jatin Mali had assured in the House about one and half year back that these posts will be filled up within two months. In the mean time four months have been elapsed but no steps have been taken to fill up the vacancies, Sir, the department has not furnished the proper reply to the Hon'ble Minister.

* **Shri Thaneswar Boro (Minister) :** Hon'ble Speaker, Sir, it is not due to the fault of the department. It is due to non-clearance of APSC. Clearance is necessary for the maintenance of roster points. The file has been sent to the concerned department. After receiving the file back from the concerned department we can fill up the vacancies.

* **Shri Bimolangshu Roy :** Hon'ble Minister has not answered my question. These posts are lying vacant for more than 10/12 years and if the department is sleeping over the matter then how can we expect that the education will be imparted to the students.

---

* Speech not corrected

Another question, Sir, Hon'ble Minister has replied that due to non-release of recurring grant by the Government of India some teachers are not getting their salaries. May I know from the Hon'ble Minister how much is due from the Centre and for how many years?

* **Shri Thaneswar Boro (Minister)** : Sir, regarding financial matters I cannot give the exact data now. Sir, all the matters which have been brought by the Hon'ble Member will be looked into..

* **Shri Bimolangshu Roy** : Hon'ble Speaker, Sir, in reply to question (c) Hon'ble Minister has stated that due to non-release of recurring grant by the Government of India some teachers are not getting their salaries in time. Sir, Hon'ble Minister is supposed to know up-to-date position about the non-release of recurring grant by the Centre.

* **Shri Thaneswar Boro (Minister)** : I have already assured that this matter will also be looked into.

**Mr. Speaker** : Now Starred Question No. 263. Hon'ble member Shri Barnabash Tanti. Hon'ble Minister Education is to reply.

## বিষয় ঃ প্ৰাথমিক বিদ্যালয়ৰ চৰকাৰীকৰণ

**শ্ৰী বৰ্ণবাস তাতিয়ে সুধিছে ঃ**

*২৬৩। মাননীয় প্ৰাথমিক শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বে-চৰকাৰী প্ৰাথমিক বিদ্যালয় সমূহ চৰকাৰীকৰণৰ কিবা আঁচনি লৈছেনে?

(খ) যদি লৈছে, কেতিয়াৰ পৰা এই আঁচনি কাৰ্য্যকৰী কৰিব জনাবনে?

**শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) আঁচনি লোৱাৰ বাবে চিন্তা চৰ্চা কৰা হৈছে।

---

* Speech not corrected

(খ) সময়ত জনাব পৰা যাব।

ইতিমধ্যে শিক্ষক সকলৰ লগত আলোচনা কৰি সিদ্ধান্ত লোৱা হৈছে।

* **শ্ৰী বৰ্ণবাস তাঁতি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰীয়ে যিটো উত্তৰ দিছে, আপোনাৰ জৰিয়তে মন্ত্ৰীৰ পৰা জানিব বিচাৰিছো চলিত বিত্তিয় বছৰত এই বিদ্যালয় সমূহ চৰকাৰীকৰণ কৰাৰ ব্যৱস্থা কৰিব নেকি?

**মাননীয় অধ্যক্ষ ঃ** ইতিমধ্যে মন্ত্ৰীয়ে এটা উত্তৰ দিছে।

* **শ্ৰী থানেশ্বৰ বড়ো (শিক্ষা মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, ১৯৯৯ চনত কোনো স্কুলক প্ৰাদেশীকৰণ কৰা নহয়। ২০০০ চনৰ ১ মাৰ্চৰ পিচত কৰাৰ সিদ্ধান্ত লোৱা হৈছে।

* **ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ঃ** অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰীয়ে যোৱা কালি এই সদনতে এটা এগ্ৰিমেন্ট পঢ়ি শুনাইছিল। ১৯৯৯ চনৰ পৰা ২০০০ চনৰ ভিতৰত প্ৰাদেশীকৰণ কৰিম। এতিয়া মন্ত্ৰীৰ পৰা জানিব বিচাৰিছো যোৱা কালি এগ্ৰিমেন্টত এটা কৈছিল আৰু আজি কৈছে ১ মাৰ্চৰ পৰা কৰা হব। অধ্যক্ষ মহোদয় আপোনাৰ সন্মুখতে পঢ়ি শুনাইছে। এতিয়া মন্ত্ৰীৰ পৰা স্পেচিফিকেলি জানিব বিচাৰিছো কালিৰ এগ্ৰিমেন্টৰ ভাষা আৰু আজিৰ ভাষাৰ পাৰ্থক্য জানে নেকি?

* **শ্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱা ঃ** অধ্যক্ষ মহোদয়, মন্ত্ৰীয়ে যিটো কৈছে ঠিকেই কৈছে স্কুল প্ৰাদেশীকৰণ ১৯৯৯ চনৰ পৰা ২০০০ চনৰ ভিতৰত কৰা হব।

* **ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ঃ** অধ্যক্ষ মহোদয়, ১ মাৰ্চৰ পিচত হব বুলি কৈছে। কিন্তু কথা হ'ল বাজেটত ইয়াৰ প্ৰভিজন নাই। তেতিয়াহলে কেনেকৈ তেখেত কৰিম বুলি কৈছে।

* **শ্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱা ঃ** অধ্যক্ষ মহোদয় ২০০০ চনৰ কাৰণে অহা বাজেটত হব পাৰে।

* **শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, যোৱা কালিৰ এগ্ৰিমেন্ট মতে এল,পি, স্কুল প্ৰতিটো সমষ্টিত ১০ খনকৈ আৰু এম,ই, ১৯৯০,'৯১,৯২ চনত স্বীকৃতি পোৱা স্কুল সমুহ, হাই মাদ্ৰাছা ১৯৯২-৯৩ চনত স্বীকৃতি পোৱা স্কুল সমূহ আৰু হাইস্কুল ২০০০ চনৰ ১ মাৰ্চৰ পৰা প্ৰাদেশীকৰণ কৰাৰ সিদ্ধান্ত লোৱা হৈছে।

---

* Speech not corrected

**Questions And Answers**

* **ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে** ঃ অধ্যক্ষ মহোদয়, এই বছৰ বাজেট প্ৰভিজন আছে নেকি?

* **শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বছৰৰ বাজেট প্ৰভিজন নথকাৰ কাৰণে ২০০০ চনৰ ১ মাৰ্চৰ পৰা ধৰা হৈছে।

**Mr. Speaker** : Now Starred Question No. 264. Hon'ble member Shri Mahendra Mohan Rai Chaudhury. Hon'ble Minister Education is to reply.

## বিষয় ঃ পৰিদৰ্শকৰ সংখ্যা।

**শ্ৰী মহেন্দ্ৰ মোহন ৰায়চৌধুৰীয়ে সুধিছে ঃ**

*২৬৪। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) দৰং জিলাৰ মঙলদৈ আৰু ওদালগুৰি মহকুমাত কিমানজন বিদ্যালয় পৰিদৰ্শক আছে?

(খ) মহকুমা দুটাত সহ পৰিদৰ্শক কিমানজন?

(গ) মঙলদৈ মহকুমাত প্ৰাথমিক বিদ্যালয়ত ১৯৯৯ জানুৱাৰী মাহলৈকে কিমানজন শিক্ষকে কাম কৰি আছে?

(ঘ) প্লেন শিতানত কিমানজন আৰু ননপ্লেন পদত কিমানজন আছে?

(ঙ) ১৯৯৯ চনৰ জানুৱাৰী মাহত চৰকাৰৰ পৰা প্লেন আৰু ননপ্লেনত দৰমহা হিচাবে মঙলদৈ মহকুমাত উপ-পৰিদৰ্শক কাৰ্য্যালয়ে কিমান টকা পাইছে?

**শ্ৰী থানেশ্বৰ বড়ো (শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) মহকুমাত বিদ্যালয় পৰিদৰ্শকৰ কোনো পদ নাই। অৱশ্যে মঙলদৈ মহকুমাত এজন উপ-পৰিদৰ্শক আৰু ওদালগুৰি মহকুমাত এজন ভাৰপ্ৰাপ্ত উপ-পৰিদৰ্শকে কাম কৰি আছে।

(খ) তথ্য বিচৰা হৈছে। তথ্য পালেই সদনত জনোৱা হব।

(গ) মুঠ ২৬৪৭ জন শিক্ষকে কাম কৰি আছে।

(ঘ) পৰিকল্পনাভুক্ত শিতানত ৫২২ জন আৰু পৰিকল্পনা বহিৰ্ভুত শিতানত ২১২৫ জন।

(ঙ) জানুৱাৰী মাহত কোনো টকা মুকলি কৰি দিয়া হোৱা নাই।

---

* Speech not corrected

*** শ্ৰী মহেন্দ্ৰ মোহন ৰায়চৌধুৰী ঃ** অধ্যক্ষ মহোদয়, মহকুমাটোত বিদ্যালয়ৰ পৰিদৰ্শকৰ পদ নাই বুলি কৈছে। এতিয়া মোৰ প্ৰশ্ন হ'ল মহকুমাটোত এল,পি, স্কুলৰ পদ কিমান খালী আছে। প্ৰাথমিক আৰু মাধ্যমিক স্কুলৰ পদ কিমান খালী আছে মন্ত্ৰীয়ে জনাব নেকি?

*** শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটোৰ ডিটেইলচ দিব পৰা নাযাব। এটা বেলেগ প্ৰশ্নৰ প্ৰয়োজন হব। ইয়াত যিটো শুধিছে সেইটোৰ উত্তৰ দিয়া হৈছে।

*** শ্ৰী মহেন্দ্ৰ মোহন ৰায়চৌধুৰী ঃ** অধ্যক্ষ মহোদয়, প্ৰশ্নটো আছিল সৰ্বমুঠ কিমান শিক্ষকৰ পদ খালী আছে। ভেকেনচি কিমান আছে আমি নাজানিলে ডি,আই,এ, আমাক নজনাই। এটাৰ পিছত এটাকৈ তেওঁলোকে পদ বিক্ৰী কৰি থাকে। সেই কাৰণে কিমান পদ খালী আছে চৰকাৰৰ হাতত থাকিব লাগে। তেতিয়াহলে ডি,আই,য়ে সেইবিলাক কৰিব নোৱাৰে। মোৰ সমষ্টিতে কিছুমান পদ এবোলিচ কৰিছে। সেই কাৰণে প্লেন আৰু নন প্লেনৰ সৰ্বমুঠ কিমান পদ খালি থাকে ৰাজহুৱা ভাবে জনাৰ ব্যৱস্থা কৰিলে ভাল হয়।

*** শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, যোৱা এপ্ৰিলৰ ২৮ তাৰিখে সকলো ডি,আই,ডি,ই,ই, ও আৰু আই,এচক মাতি মিটিং কৰা হৈছিল আৰু তাত শিক্ষা সচিব, প্ৰিন্সিপাল সচিবো উপস্থিত আছিল। কোন এলেকাত কিমান পদ খালী আছে দিবলৈ কোৱা হৈছে।

**Mr. Speaker :** Now Starred Question No. 265.

## বিষয় ঃ শিক্ষকৰ পত্নী নিযুক্তি।

**শ্ৰী কৰুণা দত্তই সুধিছে ঃ**

*২৬৫। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

মাজুলী মহকুমাৰ অন্তৰ্গত কেইবাগৰাকীও প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকৰ পত্নীয়ে যেনে - শ্ৰীমতী পূৰ্ণিমা মুদৈ ভূঞাই বেঙেনাকলীয়া জনজাতি প্ৰাথমিক বিদ্যালয়ত, শ্ৰীমতী পদুমী শইকীয়া গায়নে (চি/ও সুন্দৰ শইকীয়া) ফুলনী প্ৰাথমিক বিদ্যালয়ত, শ্ৰীমতী জোনমণি হাজৰিকা শইকীয়াই (স্বাঃ লোকনাথ শইকীয়া) বনগাওঁ প্ৰাথমিক বিদ্যালয়ত শ্ৰী

* Speech not corrected

সূৰ্য্য বৰাই ফুলনী চাৰিআলি প্ৰাথমিক বিদ্যালয়ত নিযুক্তি পত্ৰ নোহোৱাকৈ কেন্দ্ৰ সম্পাদক সকলৰ জৰিয়তে কেইবা বছৰ ধৰি প্ৰাথমিক শিক্ষকৰ দৰমহা ভোগ কৰি আহিছে এই সম্পৰ্কত বিভাগীয় কৰ্তৃপক্ষ অৱগতনে?

**শ্ৰী থানেশ্বৰ বড়ো (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

ক্ষেত্ৰ বিষয়াৰ পৰা সবিশেষ তথ্য পালেই সদনত জনোৱা হব।

* **শ্ৰী কৰুণা দত্ত ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো এনেকুৱা এটা বিষয় হৈছে যে ১৯৯৭ চনত নিযুক্তি পোৱা বোৰ্ডৰ দ্বাৰা নিৰ্বাচিত কৰি শিক্ষক নিযুক্তি পোৱাৰ পিচত ৭ বছৰ চাকৰী কৰাৰ পিছত ৮ জন শিক্ষকৰ নাম নোহোৱা কৰি পেলাইছে। এই বিষয়ে প্ৰাক্তন শিক্ষা মন্ত্ৰীক অৱগত কৰোতে বিচাৰিয়েই নাপালে। হাইকোৰ্টৰ নিৰ্দ্দেশ মতে পুনৰ মকৰল কৰিছে। এই ৮ জন শিক্ষকৰ ঠাইত কেন্দ্ৰৰ সম্পাদকৰ পৰিবাৰ ছোৱালীক নিযুক্তি দিছে। ঘৰত বহি দৰ্মহা লৈ থাকে। ডি,আইক জনোৱাৰ পিচত চাকৰী বাতিল কৰাৰ পৰিবৰ্তে বদলি কৰি দিয়ে আৰু তাত অন্য নিযুক্তি দিয়ে।

* **শ্ৰী থানেশ্বৰ বড়ো (শিক্ষা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই সম্পৰ্কত তদন্ত কৰা হব আৰু যথোচিত ব্যৱস্থা লোৱা হব।

**Mr. Speaker :** Now Starred Question No. 266.

## বিষয় ঃ মীন পালনৰ ব্যয়।

**শ্ৰীমতী প্ৰনতি ফুকনে সুধিছে ঃ**

*২৬৬। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৯৬ চনৰ পৰা বৰ্ত্তমানলৈকে জিলা ভিত্তিক মীন পালন প্ৰকল্পত কিমান টকা ব্যয় কৰা হৈছে? (জিলা ভিত্তিত তালিকা দাখিল কৰিব।)

(খ) কোন কোন শিতানৰ পৰা আৰু আন্তৰ্জাতিক অনুষ্ঠান প্ৰতিষ্ঠানৰ পৰা মীন পালনৰ বাবে অৰ্থৰ যোগান ধৰা হৈছিল? (সম্পূৰ্ণ তালিকা সদনত দাখিল কৰিব)।

**শ্ৰী বুবুল দাস (মীন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ১৯৯৬ চনৰ পৰা বৰ্ত্তমানলৈকে বিভিন্ন মীন পালন প্ৰকল্প ৮০০.৮৬ লাখ

---

* Speech not corrected

টকা ব্যয় কৰা হৈছে। জিলা ভিত্তিত তালিকা (পৰিকল্পনা শিতান আৰু কেন্দ্ৰীয় চৰকাৰৰ অনুদান (ANNEXURE-I ত সংলগ্ন কৰা হৈছে) আৰু (অসম গ্ৰাম্য আন্তঃগাঠনি কৃষি সেৱা প্ৰকল্পৰ অধীনৰ তালিকা) (ANNEXURE-II ত সংলগ্ন কৰা হৈছে।)

(খ) মীন পালনৰ বাবে যোগান ধৰা বিভিন্ন শিতান বা আন্তৰ্জাতিক অনুষ্ঠানৰ নাম হ'ল ঃ

১। ৰাজ্যিক পৰিকল্পনা শিতান।

২। কেন্দ্ৰীয় চৰকাৰৰ অনুদান।

৩। অসম গ্ৰাম্য আন্তঃগাঠনি কৃষি সেৱা প্ৰকল্প (ARIASP)

* **শ্ৰীমতী প্ৰনতি ফুকন** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰীয়ে দিয়া তালিকাত ৮০০.৮৬ লাখ টকা ব্যয় কৰা হৈছে। ইয়াৰ বাহিৰেও কিমান টকা বিভাগে মাছ উৎপাদনৰ ক্ষেত্ৰত খৰচ কৰিছে। আৰু এই বিভাগৰ মাছ উৎপাদনৰ যিটো লক্ষ্য আছিল সেই লক্ষ, পূৰণ হৈছে নে?

* **শ্ৰী বুবুল দাস (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাছ উৎপাদনৰ যি আঁচনি তাত কিমান টকা খৰচ হৈছে সেই তথ্য মোৰ লগত নাই। মই অহা কালিলৈ সেই তথ্য সদনত জনাম।

* **ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে** ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি মাননীয় মন্ত্ৰীয়ে কৈছে আজি তথ্য নাই অহা কালিলৈ দিম। আগেয়ে তেখেতে সেই কথা কৈছে কিন্তু আমি তাৰ উত্তৰ পোৱা নাই।

* **শ্ৰী নিজামুদ্দিন খান** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি সদনত ১৯৯৬ চনৰ পৰা কৈ আছো আমাৰ বিভিন্ন মীন প্ৰকল্প বিলাক বিক্ৰী কৰি কিমান টকা পাইছে, সেইটো আমাক জনাব লাগে?

* **শ্ৰী বুবুল দাস (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, সেইটো কৰা হব।

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ যি বিলাক বিল খাল আছে তাত দেখা পাইছো আঠুৱা জালেৰে মাছ ধৰে। সেই আঠুৱা জালেৰে মাছ ধৰাটো আইন প্ৰনয়ন কৰি হলেও বন্ধ কৰিব লাগে?

* **শ্ৰী বুবুল দাস (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই সম্পৰ্কত বিভিন্ন সময়ত বিশেষ ভাবে আইন বলবৎ কৰা আছে। এতিয়া আমি অধিক ভাবে কাৰ্য্যকৰি কৰাৰ কাৰণে ব্যৱস্থা কৰিম।

* Speech not corrected

*** শ্ৰীমতী প্ৰনতি ফুকন ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ যি বিলাক ৰজা দিনিয়া পুখুৰী আৰু বিল আছে সেই বিলাকত এতিয়ালৈকে পুনা মেলা নাই। তাত পোনা মেলাৰ কাৰণে কিবা ব্যৱস্থা কৰিছে নে নাই আৰু তাত পোনা মেলাৰ পিচত যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব নেকি?

*** শ্ৰী বুবুল দাস (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যা গৰাকীয়ে যিটো কথা উল্লেখ কৰিছে সেইটোৰ ব্যৱস্থা গ্ৰহণ কৰা হব।

**Mr. Speaker :** Now Starred Question No. 267.

## বিষয় ঃ মাদ্ৰাছা চৰকাৰীকৰণ

**শ্ৰী আব্দুৰ ৰৌফে সুধিছে ঃ**

*২৬৭। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত কিমানখন প্ৰি-ছিনিয়ৰ মাদ্ৰাছাক Permission – আৰু Recognition -- দিয়া হৈছে? এইবোৰ কেতিয়া চৰকাৰীকৰণ কৰা হব?

(খ) প্ৰি-ছিনিয়ৰ মাদ্ৰাছাত কিমানজন শিক্ষক নিযুক্তি দিয়াৰ চৰকাৰী নিৰ্দ্দেশ আছে আৰু তেওঁলোকৰ শিক্ষাগত অৰ্হতা কি?

**শ্ৰী থানেশ্বৰ বড়ো (শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) মুঠ ৯৮ খন। চৰকাৰৰ বিবেচনাধীন।

(খ) অসম ৰাজ্যিক মাদ্ৰাছা শিক্ষা বোৰ্ডৰ প্ৰস্তাৱ মৰ্ম্মে ব্ৰহ্মপুত্ৰ উপত্যকাৰ বাবে মুঠ ৮ জন আৰু বৰাক উপত্যকাৰ বাবে অতিৰিক্ত এজন অসমীয়া ভাষা শিক্ষক সহ ৯ জন আৰু প্ৰত্যেক মাদ্ৰাছাত এজনকৈ ৪ৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰী নিযুক্তি দিয়াৰ নিৰ্দ্দেশ আছে। তেওঁলোকৰ শিক্ষাগত অৰ্হতা প্ৰৱেশিকা পৰীক্ষা উত্তীৰ্ণ, এফ,এম, নিম্ন স্নাতক-লগতে হাফিজ/কাৰী, উচ্চতৰ মাধ্যমিক (ক'লা, বিজ্ঞান স্নাতক, বিশাৰদ)। চতুৰ্থ শ্ৰেণী অষ্টমান পৰ্য্যায়ৰ।

***শ্ৰী আব্দুৰ ৰৌফ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই বিভাগীয় মন্ত্ৰীৰ পৰা জানিবলৈ বিচাৰিছো - মাননীয় মন্ত্ৰীয়ে মুঠ ৯৮ খন চৰকাৰৰ বিবেচনাধীন হৈ আছে বুলি কৈছে। মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰীয়ে আনা এটা তৰা বিহিন প্ৰশ্নোত্তৰত কৈছে ২১০ টা বুলি এইটো মাননীয় মন্ত্ৰীয়ে সদনক মিছলিড কৰিছে। পাৰমিচন আৰু ৰিকগনাইজেচনৰ ক্ষেত্ৰত লিখিছে - এতিয়াও দিয়া

* Speech not corrected

নাই। এইটো কেনেকৈ হব?

**মাননীয় অধ্যক্ষ ঃ** আপুনি হাউচক মিচ্‌লিড্‌ কৰিছে বুলি কৈছে, সেইটো প্ৰমান সহকাৰে কব।

***Shri Abdur Rouf ঃ** Granted opening permission since 01-01-96 through out the state the opening permission is given to the State Madrassa Board and the Resolution No. 3, dtd. 08-08-95' no Permission is given.

**মাননীয় অধ্যক্ষ ঃ** আপুনি যিটো পঢ়িছে সেইটো টেবুলত চাবমিট কৰিব।

***শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যই প্ৰশ্ন যিটো কৰিছিল তাৰ সেই মূল প্ৰশ্নৰ পৰা পৰিপূৰক প্ৰশ্নটো বেলেগ হৈ গল। তথাপি মই ভাবো তেখেতে যিটো প্ৰশ্ন কৰিছে তাৰ যথাযথ উত্তৰ দিয়া হৈছে।

***শ্ৰী আব্দুল ৰৌফ ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৯৮ খন চৰকাৰৰ বিবেচনাধীন হৈ আছে বুলি কৈছে কিন্তু ইয়াত ২১০ খন আছে। প্ৰভিনচিয়েলাইজ আৰু ৰিকগনাইজেচনৰ ক্ষেত্ৰত যিটো বিধি আছে সেইটো উলংঘা কৰিছে। তাত চিনিয়ৰ মাদ্ৰাছাৰ উল্লেখ নাই।

***শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আঁচলতে মাদ্ৰাছাৰ সংখ্যা ২০০ ৰ ওপৰ আছিল। যি বিলাকৰ স্বীকৃতি দিয়া হৈছে তাৰ সংখ্যাটোহে কোৱা হৈছে। যিবিলাক এপ্ৰুফ কৰা হৈছে বা বিবেচনাধীন হৈ আছে সেই কাৰণে মই সংখ্যাটো এইদৰে উল্লেখ কৰিছিলো।

***শ্ৰী আব্দুল হামিদ ঃ** মাননীয় মন্ত্ৰীয়ে জনাব নেকি No. 1 types of institutions No. 2 যি কেইটা অনুস্থানত মাদ্ৰাছা লোৱা হৈছে সেইকেইটা কি কি অনুস্থানত লোৱা হৈছে। ৪/৪/৯৫ যি ৰিজলিউচন আছিল - চিনিয়ৰ মাদ্ৰাছা ক্ৰিয়েট কৰাৰ সেইটো গৰমেন্টৰ ৰিকগনেচন কৰাৰ প্ৰভিজন আছে নেকি?

***শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটোৰ সম্পৰ্কত ডিটেইলচ দিব পৰা নাযাব। বহুত মাদ্ৰাছা আছে।

***শ্ৰী আব্দুল হামিদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমত যি কেইখন প্ৰি-চিনিয়ৰ মাদ্ৰাছা আছে আৰু ১৯৮১ চনত যি কেইখন ৰিকগনাইজ হল সেইকেইখন চৰকাৰীকৰণ কৰিব লাগে। শিক্ষা বিভাগৰ ৰোলত প্ৰি-চিনিয়ৰ মাদ্ৰাছা অৰ্ন্তভুক্ত কৰিব নেকি?

---

* Speech not corrected

**শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰিকগনাইজ কৰা স্কুল বিলাক লোৱা হৈছে। প্ৰি-চিনিয়ৰ মাদ্ৰাছা অৰ্ন্তভুক্ত কৰাৰ কথা চিন্তা কৰা হৈছে।

**Mr. Speaker :** Now Starred Question No. 268.

## বিষয় ঃ বিদ্যালয় প্ৰাদেশীকৰণ

**শ্ৰী শুকুৰ আলীয়ে সুধিছে ঃ**

*২৬৮। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত স্বীকৃত প্ৰাপ্ত উচ্চ মাধ্যমিক বিদ্যালয় আৰু মধ্য ইংৰাজী বিদ্যালয় কিমানখন আছে?

(খ) অসমত কিমানখন অনুমতি প্ৰাপ্ত আৰু অনুমতি নোপোৱা উচ্চ মাধ্যমিক বিদ্যালয় আৰু মধ্য ইংৰাজী বিদ্যালয় আছে?

(গ) উক্ত স্বীকৃতি প্ৰাপ্ত বিদ্যালয় সমূহ প্ৰাদেশীকৰণ কৰা আৰু অনুমতি নোপোৱা বিদ্যালয় সমূহ অনুমতি দিয়াৰ ব্যৱস্থা কৰিবনে?

**শ্ৰী থানেশ্বৰ বড়ো (শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

ক) অসমত বৰ্তমান স্বীকৃতি প্ৰাপ্ত উচ্চ মাধ্যমিক আৰু মধ্য ইংৰাজী বিদ্যালয়ৰ সংখ্যা এনেধৰণৰ ঃ-

১) উচ্চ মাধ্যমিক বিদ্যালয়ৰ দশম মানলৈ স্বীকৃতি প্ৰাপ্ত মুঠ সংখ্যা - ১০৪৪ খন।

২) মধ্য ইংৰাজী বিদ্যালয়ৰ সংখ্যা - ৯৪৩ খন।

খ) ১) বৰ্তমান অসমত অষ্টম মান শ্ৰেণীৰ অনুমতি প্ৰাপ্ত ১৯৪ খন উচ্চ মাধ্যমিক বিদ্যালয় আছে আৰু অনুমতি নোপোৱাৰ সঠিক সংখ্যা বৰ্তমান চৰকাৰৰ হাতত নাই।

২) অনুমতি প্ৰাপ্ত মধ্য ইংৰাজী বিদ্যালয়ৰ সংখ্যা ৬২০ খন আৰু অনুমতি নোপোৱা মধ্য ইংৰাজী বিদ্যালয়ৰ সংখ্যা ১১৩৬ খন।

গ) স্বীকৃতি প্ৰাপ্ত বিদ্যালয় সমূহৰ প্ৰাদেশীকৰণৰ বাবে আৰু অনুমতি নোপোৱা বিদ্যালয় সমূহক অনুমতি দিয়া বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে।

**শ্ৰী শুকুৰ আলী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰশ্নটো অহাৰ আগতে হুতবাৰ আলোচনা কৰা হৈছে। মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা মই এটা কথা

---
* Speech not corrected

জানিব বিচাৰিছো হাইস্কুল আৰু এম,ই, স্কুল এইবিলাক অনুমতি বা স্বীকৃতি পোৱাৰ কাৰণে বহুত বছৰ অপেক্ষা কৰিবলগীয়া হয়। অনুমতি বা স্বীকৃতি বিভিন্ন কাৰণত পলম হৈছে আৰু এই স্বীকৃতি বা অনুমতি সোনকালে দিয়াৰ ব্যৱস্থা কৰিব লাগে।

* **শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, বছৰে বছৰে নতুন নতুন স্কুল পাতিলে স্বীকৃতি বা প্ৰাদেশীকৰণ কৰা সম্ভৱ নহয়। অসমত স্কুল কলেজৰ সংখ্যা যিদৰে বাঢ়িছে প্ৰায় জনসংখ্যা বঢ়াৰ দৰে হৈছে। প্ৰতিখন স্কুলত ৪০ জন ছাত্ৰৰ ওপৰত ১ জনকৈ শিক্ষক থাকিব লাগে। এনেকুৱা স্কুল আছে য'ত ৬ জনমানহে ছাত্ৰ আছে তাত শিক্ষকৰ সংখ্যা ২০ জনমান আছে। য'ত শিক্ষক প্ৰয়োজন হয় তাত অন্য ঠাইৰ পৰা আনি দিব পৰা যায় নে নাযায় চাব লাগিব। যিবিলাক জেনুইন কেচ ১৯৯৮ চনৰ জুলাই মাহৰ পিচত যিবিলাক স্কুল পাতিছে আগতিয়াকৈ পতা সকলক পৰীক্ষা নিৰিক্ষা কৰি আছো।

* **শ্ৰী শুকুৰ আলী ঃ** মাননীয় অধ্যক্ষ মহোদয়, নতুনকৈ বিদ্যালয় পতাটো চৰকাৰে বন্ধ কৰিছে নেকি?

* **শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বন্ধ আছে।

* **শ্ৰী শুকুৰ আলী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছো, বিদ্যালয়সমূহ কেতিয়া প্ৰাদেশীকৰণ কৰা হব? চৰকাৰে এটা সিদ্ধান্ত লৈছে, সেই সিদ্ধান্ত মতে স্বীকৃতিপ্ৰাপ্ত বিদ্যালয়ৰ দশম মানলৈ স্বীকৃতিপ্ৰাপ্ত মুঠ স্কুলৰ সংখ্যা - ১০৪৪ খন।

* **শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, ১৯৯২-৯৩ চনত স্বীকৃতিপ্ৰাপ্ত বিদ্যালয় বহু কেইখন আছে। এম,ই, ক্ষেত্ৰত ঘাটি বিলাক ১৯৮৯ চনত, ১৯৯০ চনত ১৯৯১ আৰু ১৯৯২ চনলৈ স্কুলবিলাক দিব পৰা যাব। কিমান এল,পি, স্কুল প্ৰথমে লোৱা হব বুলি সোধা প্ৰশ্নোত্তৰত কওঁ ১৯ খন স্কুল লোৱা হব।

**Mr. Speaker :** Now Starred Question No. 269.

## বিষয় ঃ নুমলীগড়ৰ খনন

**শ্ৰী ভূপেন্দ্ৰ নাথ ভূঞাই সুধিছে ঃ**

*২৬৯। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

---

* Speech not corrected

(ক) গোলাঘাট জিলাৰ নুমলীগড়টো বে-দখলকাৰীয়ে খনন কাৰ্য্য চলাই থকাটো সত্যনে?

(খ) যদি সত্য হয়, তেন্তে ইতিহাস প্ৰসিদ্ধ এই গড়টো ৰক্ষণাবেক্ষণ দিয়াৰ সম্পৰ্কত কিবা চিন্তা কৰা হৈছেনে।

(গ) যদি চিন্তা কৰা নাই তেন্তে শীঘ্ৰে বেদখল কাৰ্য্যবন্ধ কৰি বুৰঞ্জী প্ৰসিদ্ধি নুমলীগড়টো স-সুৰক্ষিত কৰি ৰাখিবনে?

**শ্ৰী থানেশ্বৰ বড়ো (শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) বে-দখল হোৱাটো সত্য।

(খ) সংৰক্ষণ ব্যৱস্থা সম্ভৱ হোৱা নাই যিহেতু ইটাৰ গাঠনি আৰু মাটিৰে নিৰ্মিত এই গড় অৱস্থিত ভূমি নুমলীগড় চাহ-বাগিছা আৰু এটি ব্যক্তিগত তেল ব্যৱসায়ীৰ অধীনত আছে।

(গ) সংৰক্ষিত কৰিবলৈ হলে এই বুৰঞ্জী প্ৰসিদ্ধ গড় অৱস্থিত ভূমি প্ৰত্নতত্ত্ব বিভাগৰ অধীনলৈ অনাৰ ব্যৱস্থা লোৱাৰ পাচত সম্ভৱ হ'ব।

* **শ্ৰী ভূপেন্দ্ৰ নাথ ভূঞা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে প্ৰশ্নৰ উত্তৰত কৈছে যে নুমলিগড়ৰ মাটিখিনি অসম চৰকাৰৰ অধীনত নহয় আৰু বিভাগটোও নহয়। এই গড়টোত বেদখলকাৰীয়ে খনন কাৰ্য্য চলাই আছে। অৱস্থিত যিখিনি আছে সেইখিনিকে ৰক্ষণা-বেক্ষণ দিবৰ বাবে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। অৱশিষ্ট গড় সংৰক্ষিত কৰিবলৈ হলে এই বুৰঞ্জী প্ৰসিদ্ধ গড় অৱস্থিত ভূমি প্ৰশ্নটো বিভাগৰ অধীনলৈ অনাৰ ব্যৱস্থা লোৱাৰ পাচত সম্ভৱ হ'ব বুলি মন্ত্ৰী মহোদয়ে জনাইছে। মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছে এইটো যেতিয়া কাৰ্য্যকৰী হ'ব অনুগ্ৰহ কৰি জনাবনে?

* **শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, নুমলিগড়ৰ যি অৱশিষ্ট অংশ আছে সেইখিনি ৰক্ষণা-বেক্ষণ দিবৰ কাৰণে ব্যৱস্থা হাতত লোৱা হ'ব। গতিকে এই বিষয়টো ৰাজহ বিভাগলৈ হস্তান্তৰ কৰিলে সংৰক্ষণৰ ব্যৱস্থা কৰিবলৈ সুবিধা হ'ব। এই কাৰণেই আমি সংৰক্ষণ কৰিব পৰা নাই যিহেতু ইটাৰ গাঠনি আৰু মাটিয়ে নিৰ্মিত এই গড় অৱস্থিত ভূমি নুমলীগড় চাহ-বাগিছা আৰু এটি ব্যক্তিগত তেল ব্যৱসায়ীৰ অধীনত আছে। সেইকাৰণে চাহ বাগিছাৰ মালিকৰ লগত বা কৰ্তৃপক্ষৰ লগত আলোচনা কৰিব লাগিব আৰু মই আলোচনাত বহিম। বস্তুটো কি হিচাবত আছে? সেইকাৰণে ৰেভিনিউ বিভাগৰ

* Speech not corrected

ওচৰত এই প্ৰশ্নটো উত্থাপন কৰিছো। তদন্ত কৰি বিহীত ব্যৱস্থা লোৱা হব।

**Mr. Speaker :** Now Starred Question No. 270.

## Re.: Establishment of Industry.

**Shri Hemendra Nath Brahma asked :**

*270. Will the Minister of Industry be pleased to state:

(a) Whether Government has any proposal for the establishment of big/small Industry in the district of Kokrajhar?

(b) If not, why?

**Shri Gunin Hazarika (Minister of Industry) replied :**

(a) There is no proposal for establishment of big Industry in the district of Kokrajhar under Government sector. However will provide necessary assistance to the private investors for setting up any big Industry in Kokrajhar district. In case of small scale Industries also, Government will provide necessary assistance to the eligible entrepreneurs through various schemes/policies of the State Government.

(b) Does not arise.

* **Shri Hemendra Nath Brahma :** Hon'ble Speaker Sir, I have three points - these are (1) What are those big industries for which Govt. can provide necessary assistance? (2) What are the necessary assistance to the private investers to be provided by the Govt? and (3) What are the various scheme to which Govt. provide assistance to the small scale Industries?

* **Shri Gunin Hazarika (Minister) :** Sir, Govt. will provide all assistance to all Industries and to all willing entrepreneurs all necessary assistance will also be provided. (2) Assistance will be provided to willing

* Speech not corrected

Entrepreneurs under Industrial Policy 1997. (3) Same as 1 & 2 above.

* **শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ পূৰ্বাঞ্চলৰ কাৰণে প্ৰধানমন্ত্ৰীৰ স্পীচিয়েল পেকেজত অসমৰ কাৰণে ইণ্ডাষ্ট্ৰীয়েল চেণ্টাৰ দিয়া হৈছিল। অসমত কিমানটা ইণ্ডাষ্ট্ৰীয়েল চেণ্টাৰ দিয়া হৈছিল? তাৰ ভিতৰত ট্ৰাইবেল এৰিয়াৰ কাৰণে চেণ্টাৰ দিয়া হব নে নহয়?

* **শ্ৰী গুনীন হাজৰিকা (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, ৩ টা ইণ্ডাষ্ট্ৰীয়েল চেণ্টাৰ ইতিমধ্যে দিয়া হৈছে। বালিপাৰা, মাটিয়া, গোৱালপাৰা জিলাত আছে ছয় গাওঁ কামৰূপ জিলাত। এইবিলাক অঞ্চলত ট্ৰাইবেল বা নন-ট্ৰাইবেল আছে যিবিলাক বস্তু ভাৰত চৰকাৰে দিয়ে সেইমতে ৩ খন ঠাইত দিয়া হৈছে ভাৰত চৰকাৰৰ পৰা যদি আমি আৰু পেকেজ পাওঁ তেতিয়া হলে আটাইকেইটা কভাৰ কৰিব পাৰো।

* **শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম** ঃ মাননীয় অধ্যক্ষ মহোদয়, অদূৰ ভবিষ্যতে বি, এ, টি এলেকাত সৰু বা ডাঙৰ ইণ্ডাষ্ট্ৰী খোলাৰ ব্যৱস্থা কৰিবনে? আৰু যদি উদ্যোগ খোলাৰ ব্যৱস্থা নহয় তেতিয়াহলে কি কাৰণে লোৱা নহব সেই বিষয়ে জনাবনে?

* **শ্ৰী গুনীন হাজৰিকা (উদ্যোগ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, ইয়াৰ বাবে কোনো কোনো জাতি আই, আই, বিয়ে অনুমোদন জনাইছে, আমি প্ৰত্যেকখন জিলাতে উদ্যোগ স্থাপন কৰিবৰ কাৰণে আবেদন জনাই আছো যদি অনুমোদন পোৱা হয় তেতিয়াহলে কোকৰাঝাৰত নিশ্চয় লোৱা হব।

* **শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম** ঃ প্ৰাইমিনিস্টাৰৰ স্পেচিয়েল পেকেজত যিটো দিছে সেইমতে বি, এ, টি এলেকাত কি কাৰণে ইন্ড্ৰাস্ট্ৰি দিব পৰা নহব?

* **শ্ৰী গুনীন হাজৰিকা (উদ্যোগ মন্ত্ৰী)** ঃ নিদিয়া নহয়, ৰাভাহাচতত দিয়া হৈছে। সকলো জনগোষ্ঠীকে সুকীয়া সুকীয়াকৈ দিয়া কথাটো ভবা নাই আৰু দিয়াটোও সম্ভৱ নহয়।

(Starred question No-271 was not raised as the questioner was not present in the House when called for. However the written replies of the said question deemed to have been laid on the table of the house)

---

* Speech not corrected

## বিষয় ঃ উদ্যোগ স্থাপন ।

**শ্ৰী ভৰত চন্দ্ৰ নৰহে, সুধিছে ঃ**

* ২৭১) মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) উত্তৰ পূৰ্বাঞ্চলত উদ্যোগ স্থাপনৰ বাবে ঘোষনা কৰা উদ্যোগ নীতিয়ে ৰাজ্যখনৰ উদ্যোগীকৰণ কি কি প্ৰভাব পেলাব?

খ) ব্যক্তিগত বিনিয়োগকাৰীক আকৰ্ষিত কৰিবলৈ চৰকাৰে কি কি আচঁনি আৰু কাৰ্য্যসূচী হাতত লৈছে?

**শ্ৰী গুণীন হাজৰিকা (উদ্যোগ বিভাগৰ মন্ত্ৰী) ই উত্তৰ দিছে ঃ**

ক) উত্তৰ পূৰ্ব্বাঞ্চলৰ বাবে সুকীয়া উদ্যোগনীতি ঘোষণা কৰিছে। ইয়াৰ বিত্তীয় উদগনি সমূহ কাৰ্য্যকৰী কৰিলে উত্তৰ পূৰ্ব্বাঞ্চলৰ উদ্যোগিক বিকাশত বিপুল পৰিবৰ্ত্তন হব বুলি আশা কৰা হৈছে। আনহাতে ভাৰত চৰকাৰে গ্ৰহণ কৰা অৰ্থনৈতিক উদাৰনীতিৰ (Liberalisation) প্ৰভাৱ উত্তৰ পূৰ্ব্বাঞ্চলত বৰ্ত্তমান সন্তোষজনক নহয়। যোৱা কেইবছৰত অৰ্থনৈতিক উদাৰ নীতিৰ ফলত আশাকৰাৰ দৰে বিনিয়োগ হোৱা নাই।

খ) ব্যক্তিগত বিনিয়োগকাৰীক আৰ্কষিত কৰিবলৈ অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ সাহাৰ্য্যত কামৰূপ জিলাৰ আমিনগাওঁত এখন Export Promotion Industrial Park শোণিতপুৰ জিলাৰ বালিপাৰাত আৰু গোৱালপাৰা জিলাৰ মাটিয়াত দুখন Industrial Growth Centre, দৰং জিলাৰ দলগাৱত আৰু নগাওঁ জিলাৰ ভোমোৰাগুৰিত দুখন Industrial Infrastructure Development Centre স্থাপন কৰাৰ ব্যৱস্থা হাতত লৈছে। ৰাজ্যখনৰ বাহিৰত সময়ে সময়ে অনুষ্ঠিত হৈ থকা বিভিন্ন Seminar, Investors Meet ইত্যাদিত যোগদান কৰি অসমত উদ্যোগ স্থাপনৰ সম্ভাব্য দিশবোৰ দাঙি ধৰি দেশীয় আৰু বিদেশী বিনিয়োগকাৰীক আকৰ্ষিত কৰাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। অসম চৰকাৰে ব্যক্তিগত বিনিয়োগকাৰীক আকৰ্ষিত কৰিব পৰাকৈ ১৯৯৭ চনত এখন নতুন উদ্যোগিক নীতি ঘোষণা কৰিছে।

**Mr. Speaker :** Now Starred Question No. 272.

## Re: Posts of Project Officer.

**Shri Sukhendu Shekhar Dutta asked:**

*272.Will the Minister of Education be pleased to state:

* Speech not corrected

(a) Whether the vacant posts of Project Officer of Non-Formal Education at North Karimganj, South Karimganj, Patharkandi and Ramkrishna nagar Blocks have been filled up recently?

(b) If yes, what was the basis of selection?

**Shri Thaneswar Boro (Minister) replied:**

(a) yes.

(b) On the basis of merit cum experience for the entire state of Assam.

* **Shri Sukhendu Shekhar Dutta** : Mr. Speaker, Sir, in my Dist. the Project Officers who have been working for several years in the past have not been selected for regularisation. Here the Hon. Minister, Education said that the Project Officers have been selected on merit-cum-experience basis. I do not understand the exact connotation and denatation of the selection process that not a single officer who are experienced has been selected. This has created quite an amount of dissatisfaction .. Karimganj and Hilakandi Dists. as all have been discarded though the existing officers are well-experienced and have good supervisory capacity.

* **Shri Thaneswar Boro (Minister)** : Mr. Speaker, Sir, I want to clarify that the vacant posts of Project Officers of Non-Formal Education were advertised in the month of July,1998. Although 5598 applications including the applications of 87 Project Officers working on adhoc basis since 1992-93 were received.

The Govt. constituted a State-Level Selection Committee with Directory, N.F. & A.E. as Chairman and Director, Elementary Education and Jt. Secretary, Education Deptt. as members. All total 2830 candidates were called for interview. Out of which 1700 candidates appeared in the interview.

---

* Speech not corrected

After having completed the interview (oral), the Selection Committee recommended regularisation on of 87 Project Officers working on adhoc basis and selected other 26 candidates including ST(H)-5, SC-5 and OBC-3 against 13 Nos.of other clear vacancies to fill up backlog.

Total 100 post were filled up by the above process of selection, 87 Project Officers who were appointed earlier were regularised and now 13 candidates were appointed.

***Shri Sukhendu Shekhar Dutta :** Mr.Speaker, Sir, as nobody has been selected from my Dist. it is natural to presume that they have been deliberately discarded. Sir, will the Hon. Minister re-examine the matter and select at least one officer from my Dist.?

***Shri Thaneswar Boro (Minister) :** This can be considered when the next subsequent vacancies will arise.

## বিষয় ঃ মীন বিভাগে লাভ কৰা বিশ্ববেংকৰ টকা।

**শ্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে ঃ**

* ২৭৩) মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মীন বিভাগে বিশ্ববেংকৰ জৰিয়তে মুঠ কিমান টকাৰ সাহাৰ্য্য লাভ কৰিলে?

(খ) উক্ত অৰ্থ সাহাৰ্য্যৰ দ্বাৰা কেনে ধৰণৰ আঁচনি লব পৰা যায়?

(গ) কোন কোন জিলাত কিমান টকাৰ সাহাৰ্য্য দিয়া হৈছে?
(.অনুগ্ৰহ কৰি তালিকা সদনৰ ক্ষেত্ৰত দাখিল কৰিব )

(ঘ) মাছৰ খাদ্যৰ যোগান ধৰা প্ৰতিস্থানটোৰ নাম কি?

(ঙ) উক্ত খাদ্যৰ প্ৰতি কুইণ্টলৰ মূল্য কিমান?

**শ্ৰী বুবুল দাস (মীন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) বিশ্ববেংক আৰু অসম চৰকাৰৰ মাজত হোৱা চুক্তি (MOU) মতে

অসম গ্ৰাম্য আন্তঃগাঠনি ও কৃষি সেৱা প্ৰকল্পৰ অধীনত চৰকাৰী বিভাগে বাজেটত আচঁনিসমূহৰ বাবে টকা ধাৰ্য্য কৰে আৰু প্ৰচলিত চৰকাৰৰ নীতি মতে বিশ্ববেংকে বান্ধি দিয়া নিয়মমতে খৰচ কৰা ধন অসম চৰকাৰক মোকলাই দিয়ে। তলত উল্লেখ কৰা মতে মীন বিভাগে ১৯৯৫-৯৬ চনৰ পৰা উক্ত আচঁনিৰ টকা আহ্বান কৰি খৰচ কৰাৰ ব্যৱস্থা লৈছে।

| চন | | বাজেটত ধাৰ্য্য ধনৰ পৰিমান | | আহ্বান আৰু খৰচ |
|---|---|---|---|---|
| ১৯৯৫-৯৬ | - | ২৭৬.০০ লাখ | - | ১৭.৪০ লাখ |
| ১৯৯৬-৯৭ | - | ৭১১.৫৬ লাখ | - | ২৩৮.৪৮ লাখ |
| ১৯৯৭-৯৮ | - | ৬০০.০০ লাখ | - | ৪১৮.৬৩ লাখ |
| ১৯৯৮-৯৯ | - | ৬০০.০০ লাখ | - | ২৫১.৪৬ লাখ |
| | | মুঠ | - | ৯২৫.১৭ লাখ |

(খে) বিশ্ববেংকে অনুমোদন জনোৱা অসম গ্ৰাম্য আন্তঃগাঠনি ও কৃষি সেৱা প্ৰকল্পৰ অধীনত তলত দিয়া আচঁনিসমূহ ৰূপায়নৰ বাবে হাতত লোৱা হৈছে।

১) মৎস্য পোনা উৎপাদন কেন্দ্ৰ (অসম কৃষি বিশ্ববিদ্যালয়)

২) ভ্ৰাম্যমান মৎস্য স্বাস্থ্য কেন্দ্ৰ।

৩) ব্যক্তিগত পুখুৰী উন্নয়ন ও মীন পালন।

৪) ৰাজহুৱা পুখুৰী উন্নয়ন ও মীন পালন।

৫) মীন মহল উন্নয়ন।

৬) মীন গৱেষণা।

৭) মীন সম্প্ৰসাৰণ শিক্ষা ও প্ৰশিক্ষণ।

৮) মুক্ত জলাশয় উন্নয়ন।

৯) প্ৰকল্প নিৰীক্ষণ ও মূল্যাংকন কোষ।

(গ) অসম গ্ৰাম্য আন্তঃগাঠনি ও কৃষি সেৱা প্ৰকল্পৰ আচঁনিৰ অধীনত মীন বিভাগে জিলা ভিত্তিত হিতাধীকাৰীক দিয়া সাহাৰ্য্যৰ তালিকা (ANNEXURE-I) সংলগ্ন কৰা হৈছে। (See the Annexure-II)

(ঘ) বিশ্ববেংকৰ অনুমোদন ক্ৰমে মাছৰ খাদ্য যোগান ধৰা প্ৰতিষ্ঠানটোৰ নাম নৰ্থ ইষ্ট ফিচাৰিজ (প্ৰাইভেট) লিমিটেড, খানাপাৰা, গুৱাহাটী-২২।

(ঙ) উক্ত খাদ্যৰ প্ৰতি কুইন্টলৰ মূল্য ১৪৫০.০০ টকা

* **শ্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱা :** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো এই যিটো সাহাৰ্য্য বিশ্ববেংকৰ পৰা দিয়া হৈছে এইটো প্ৰকৃততে সাহাৰ্য্য নে ঋণ? মাছৰ খাদ্যৰ যিটো মূল্য ইয়াত দেখুৱা হৈছে প্ৰতি কুইন্টলৰ মূল্য ১৩৫০ টকা, এই মূল্যতো বেচি হৈছে কিয়নো এক কেটি মাছত যিমান দাম পৰেগৈ মাছৰ তাৰ প্ৰায় সমান মূল্যৰ দায়েট খৰছো হৈছে। মাছক ইমান হেভী দায়েট খুৱাবলগীয়া হয় নেকি? দাইলতকৈ বেছি দামৰ দায়েট দিয়া যায়। মাছক আপেল কল খুৱাব হয় নেকি? গতিকে মাছৰ ডায়েটৰ কাৰণে বেছি খৰচ কৰা হোৱা নাইনে?

* **শ্ৰী বুবুল দাস (মন্ত্ৰী) :** মাননীয় অধ্যক্ষ মহোদয়, এই মাছৰ যিটো খাদ্য যোগান ধৰা হৈছে এইটো নৰ্থ ইষ্ট ফিচাৰিজ (প্ৰাইভেট) লিমিটেডে যোগান ধৰিছে আৰু এই খাদ্য বিশ্ববেংকৰ অনুমোদন ক্ৰমে যোগান ধৰি আছে তাৰোপৰি আমাৰ এগ্ৰিকালচাৰ ইউনিভাৰচিটিৰ যি সকল ফিচাৰী, বৈজ্ঞানিক আছে তেখেত সকলৰ গৱেষণাৰ চুপাৰিশ মতেই মাছক এই খাদ্য দি থকা হৈছে আৰু এইটো বিশ্ববেংকৰ অনুমোদন ক্ৰমে কৰা হৈছে।

* **শ্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱা :** এইটো সম্পূৰ্ণ সাহাৰ্য্য নে ঋনৰ অংশ আছে? ইয়াত যিটো সাহাৰ্য্য আগবঢ়োৱা হৈছে এইটো শতকৰা ৭০ ভাগ সাহায্য আৰু শতকৰা ৩০ ভাগ ঋণ।

**মাননীয় অধ্যক্ষ :** Now Short Notice Question. Short Notice Question No. 3 Smti Pramila Rani Brahma. Only answer should be given.

## Re: Short Notice Question.

**Shri Pramila Rani Brahma asked :**

3. Will the Minister Higher Education be pleased to state :

(a) Whether it is a fact that the Finance Department of Assam Government has already released Rs. 25.00 lakhs for the year of 1997-98 for the smooth functioning of Kokrajhar University

---

* Speech not corrected

campus.

(b) If it is, then whether the administration of University has received the total fund?

(c) May I know how many teachers are required to run the classes of previous and final year of P.G. course in one department?

(d) Since how many teachers have been appointed for how many departments of Kokrajhar University Campus.

(e) Whether any fund for building construction has been released?

**Shri Thaneswar Boro (Minister) replied :**

(a) Yes.

(b) Yes.

(c) Generaly 6(six) Nos. of teachers are required to run a Department in Arts faculty.

(d) There are 4(four) Nos. of Department namely : English, Assamese, Economics and Bodo. There are 18(Eighteen) Nos. of Teachers.

(e) No.

**Mr. Speaker** : Now Question No. 4, Shri Mohini Basumatary.

**বিষয় ঃ তাকৰীয়া সময়ৰ জাননী।**

**শ্ৰী মোহিনী বসুমতাৰীয়ে সুধিছে ঃ**

৪। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) বিজনী মহকুমাৰ অন্তৰ্গত বহুতো প্ৰাথমিক বিদ্যালয় সমূহত এজন শিক্ষকেহে পাঠ দান কৰি আছে। এই বিদ্যালয় সমূহত দ্বিতীয় শিক্ষক নিযুক্তি দিয়াৰ বাবে চৰকাৰে ব্যৱস্থা লৈছেনে?

(খ) বিজনী মহকুমাৰ অন্তৰ্গত অসমীয়া মাধ্যমৰ প্ৰাথমিক বিদ্যালয়ৰ লগত

বড়ো মাধ্যম সন্নিবিষ্ট কৰা বিদ্যালয় সমূহত বহু বছৰ ধৰি বড়ো শিক্ষকৰ কোনো পদ মঞ্জুৰী হোৱা নাই। এই বিদ্যালয়বোৰত কেতিয়া পদ মঞ্জুৰী দিব মন্ত্ৰী মহোদয়ে জনাবনে?

(গ) ও,বি,বি,এচ ওৱ জৰিয়তে ১৩৩ টা পদ বিভিন্ন নিম্ন প্ৰাথমিক বিদ্যালয় সমূহত শিক্ষকৰ পদত নিযুক্তি দিলে কিন্তু বিজনী মহকুমাৰ অন্তৰ্গত বিদ্যালয়বোৰত এজনো শিক্ষকৰ পদত নিযুক্তি নাপালে ইয়াৰ কাৰণ মন্ত্ৰী মহোদয়ে জনাবনে?

**শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) চৰকাৰৰ পদ মঞ্জুৰী অনুযায়ী বিজনী মহকুমাৰ অন্তৰ্গত এজনীয়া শিক্ষক থকা বিদ্যালয় সমূহত সময়ে সময়ে দ্বিতীয় শিক্ষক নিযুক্তি দিয়া হৈছে।

(খ) সমূহীয়া পদ মঞ্জুৰীৰ পৰাই সময়ে সময়ে বড়ো মাধ্যমৰ শিক্ষকও নিযুক্তি দিয়া হৈছে।

(গ) ও,বি,বি,আঁচনিৰ জৰিয়তে ১৩৩ টা পদৰ পৰা বিজনী মহকুমা অন্তৰ্গত ১০ টা পদ অলপতে দিয়া হৈছে।

**Mr. Speaker :** Now Question No. 5, Shri Bimolangshu Roy.

## Re.: Short Notice question

**Shri Bimolangshu Roy asked :**

5. Will the Minister Education be pleased to state :

(a) Is it a fact that S.E.B.A. vide circular No. SEBA/AB/TXB/4/89/275 dated 9-12-98 has dropped Sanskrit from H.S.L.C. Syllabus of the Board of Secondary Education Assam?

(b) Is it a fact that Sanskrit has optional subject from time immemorial as mother all language?

(c) What is the reason for dropping Sanskrit as optional subject?

(d) Will Govt. take steps for inclusion of Sanskrit in Syllabus?

(e) If so, will it be included from current year? If not why?

**Shri Thaneswar Boro (Minister) replied :**

(a) It is not a fact that Sanskrit has been dropped from the HSLC Syllabus of the Board of Secondary Education Assam. Sanskrit is very much one of the elective subject. In the SEBA circular No. SEBA/AB/TXB/4/89/275 dated 9-12-98. Sanskrit, Arabic Literature, Dance, Khasi, Garo, Mizo were not included through oversight. These subjects were included in the SEBA Circular No. SEBA/AB/TXB/4/16 dated 1-3-99.

(b) Sanskrit has been an elective subject since 1973.

(c) Since Sanskrit is an elective subject the question of reason for dropping it from SEBA Syllabus does not arise.

(d&e) Hence the question of inclusion of Sanskrit from the current year in the Syllabus of SEBA (as an elective subject) does not arise.

**Mr. Speaker :** Now Question No.6 Shri Dilip Kumar Saikia.

## বিষয় ঃ অপাৰেশ্বন ব্লেক ব'ৰ্ড আঁচনি।

**শ্ৰী দিলীপ কুমাৰ শইকীয়াই সুধিছে ঃ**

৬। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অপাৰেশ্বন ব্লেকবৰ্ডৰ আঁচনি যোৱা দহ বছৰত কেন্দ্ৰীয় চৰকাৰৰ পৰা কিমান ধন পাইছে?

(খ) ইয়াৰে কিতাপ কিনাত কিমান ধন খৰছ কৰা হৈছে বছৰ হিচাপত জনাব?

(গ) কিতাপ কিনাৰ বাবে কৰা খৰছ খিনিৰ পৰা অসমৰ, লেখক, প্ৰকাশ, ছপাশাল সমূহ উপকৃত হোৱা কথাটো স্বীকাৰ কৰেনে?

(ঘ) চলিত বছৰত ১৪ কোটি টকা লোৱাটো সঁচা নে? যদি পাইছে ইয়াৰ ভিতৰত সুকীয়াকৈ কিতাপ কিনাৰ বাবে পূঁজি ৰাখিছেনে?

(ঙ) কিতাপ অথবা অন্যান্য সামগ্ৰী ক্ৰয় কৰাৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ কিবা নীতি নিৰ্দ্দেশনা আছে নেকি?

(চ) উক্ত আঁচনিত অৰ্ন্তভুক্ত ধনৰ পৰা কিতাপ ক্ৰয় নকৰি অন্য সামগ্ৰী ক্ৰয় কৰাটো সত্যনে?

**শ্ৰী থানেশ্বৰ বড়ো (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) মুঠতে ৫০ কোটি, ৯৭ লাখ, ৪৩ হাজাৰ টকা।

(খ) বছৰৰ হিচাপত কিতাপ কিনাৰ বাবে খৰছ কৰা ধনৰ পৰিমাণ এনেধৰণৰ-

| | | | |
|---|---|---|---|
| ১৯৮৭-৮৮ | - | ২,৩০,৯৬,৭২৪ | টকা |
| ১৯৮৯-৯০ | - | ১,১৯,৭২,২১০ | টকা |
| ১৯৯২-৯৩ | - | ৩,০৮,৪৮,২০৪ | টকা |
| | মুঠ- | ৬,৫৯,১৭,১৩৮ | টকা |

(গ) হয়।

(ঘ) সঁচা নহয়।

(ঙ) আছে।

(চ) সঁচা নহয়।

**Mr. Speaker :** Now Question No.7, Smti Pramila Rani Brahma.

**শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম ঃ** একো লাভ নাই চাৰ।

**Mr. Speaker :** In the House one should not pass any comment.

**শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম ঃ** চৰি চাৰ।

## Re.: Champamati Irrigation Project.

**Smti Pramila Rani Brahma asked :**

7. Will the Minister, Irrigation be pleased to state :

(a) When the Works of Champamati Irrigation was started and what was the estimated fund of the scheme.

(b) Whether the work is completed?

(c) If it is completed whether the scheme has supplied water to the paddy field by both right and left bank cannal?

(d) If no, why? The reasons may be stated please.

**Shri Abdul Muhib Mazumdar (Minister of Irrigation) replied :**

(a) Champamati Irrigation Project was started in the year 1980-81 and estimated cost of the project was Rs. 1532.15 lakhs.

(b) Partially completed.

(c) Partially supplied through left bank cannal to about 750 Hect.

(d) The Project could not be completed fully mainly due to paucity of fund and disturbed situation.

**Mr. Speaker :** Now Question No.8, Sheikh Abdul Hamid.

## Re.: Short Notice Question

**Sheikh Abdul Hamid asked :**

8. Will the Minister Education be pleased to state :

(a) Is it a fact that the Govt. ordered for an enquiry on the basis of Short Notice Question No.6 dtd. 14th December, '98 against involvement of Shri A. Khaleque, H.M. Aligaon MEM, (under DEEO, Barpeta)

(b) If so, what is the finding & what action has taken

thereof.

**Shri Thaneswar Boro (Minister of Education) replied :**

(a) It is a fact that Govt. had ordered an enquiry against Sheikh Abdul Khaleque, Head Master, Aligaon M.E.M. under D.E.E.O., Barpeta for his alleged involvement in political activity.

The Deputy Commissioner, Barpeta was requested to make an enquiry on the allegation submitted by Sheikh Abdul Hamid, Hon'ble M.L.A. dtd. 7-11-98 vide Govt. letter No. A(I)E.77/98/ Pt.I/67 dtd. 18-11-98.

Again the Deputy Commissioner, Barpeta was requested to make an enquiry on an allegation regarding involvement of the teacher in active politics and non-attendance of school vide Govt. letter No.A(I)E.77/98/Pt.I/86 dtd. 4-1-99.

(b) Govt. have not received report from Deputy Commissioner, Barpeta till date.

**Mr. Speaker :** Now Question No.9, Shri Nizamuddin Khan.

**বিষয় ঃ ১৯৯৯ চনৰ বাজেট অধিবেশন।**

**শ্ৰী নিজামুদ্দিন খানে সুধিছে ঃ**

৯। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰপেটা DPEP ত কিতাপ পত্ৰ ছপা কৰা হৈছেনে?

(খ) যদি হৈছে, কি কি কিতাপ আৰু কিমান কিতাপ ছপোৱা হৈছে?

(গ) ছপা কামৰ কাৰণে নিবিদা আহ্বান কৰা হৈছেনে?

(ঘ) যদি হৈছে, নিবিদা কাৰীৰ নাম, ঠিকনা সহ নিৰিখ উল্লেখ কৰিব?

(ঙ) এই সামগ্ৰী সমূহ বিতৰণ কৰা হৈছেনে?

(চ) যদি হৈছে, হিতাধিকাৰী বা অনুষ্ঠানৰ নাম ঠিকনা জনাবনে?

**শ্ৰী থানেশ্বৰ বড়ো (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) নাই হোৱা।

(খ) প্ৰশ্ন নুঠে।

(গ) প্ৰশ্ন নুঠে।

(ঘ) প্ৰশ্ন নুঠে।

(ঙ) প্ৰশ্ন নুঠে।

(চ) প্ৰশ্ন নুঠে।

DPEP জিলা সমূহৰ বিদ্যালয়ৰ বাবে DPEP য়ে কেন্দ্ৰীয় ভাবে কিতাপ যোগানৰ ব্যৱস্থা কৰে।

## Unstarred Question And Answered

## বিষয় ঃ শিক্ষক নিযুক্তি।

**ডাঃ কল্যাণ কুমাৰ গগৈয়ে সুধিছে ঃ**

৪৩১।মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্ত্তমান চৰকাৰৰ দিনত বৰ্ত্তমানলৈকে আজি তাৰিখলৈ কিমান গৰাকী বিষয় শিক্ষক নিযুক্তি দিলে জনাবনে?

(খ) অসমৰ কোন কেইখন জিলাত বিষয় শিক্ষক নিযুক্তি দিয়া হ'ল? (বিদ্যালয়ৰ নাম সহ নিযুক্তি পোৱা প্ৰাৰ্থীৰ নামৰ তালিকা সদনৰ মেজত দিব)

(গ) ডিব্ৰুগড় জিলাত বৰ্ত্তমানলৈকে কিমান বিষয় শিক্ষকৰ পদ খালী আছে আৰু কি কি বিষয়ত কোন কেইখন বিদ্যালয়ত খালী আছে জনাবনে?

(ঘ) এই পদ সমূহ পূৰণৰ অৰ্থে চৰকাৰে কিবা ব্যৱস্থা লৈছে নেকি?

**শ্ৰী থানেশ্বৰ বড়ো (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) বৰ্ত্তমান চৰকাৰৰ দিনত আজিৰ তাৰিখলৈ ৭০ জন প্ৰাদেশীকৃত উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আৰু ৫৩ জন চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত নিযুক্তি দিয়া হৈছে।

(খ) ১৫ খন জিলাৰ প্ৰাদেশীকৃত উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আৰু ১৭ খন জিলাৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত নিযুক্তি দিয়া হৈছে। (তালিকা গাঁঠী দিয়া হল) (See Annexure-III)

(গ) ডিব্ৰুগড় জিলাত প্ৰাদেশীকৃত বিদ্যালয়ত ৪ টা বিষয় শিক্ষক পদ খালি হৈ আছে।

(১) চাচনী উচ্চতৰ মাধ্যমিক বিদ্যালয় - অসমীয়া - ১
(২) ৰামেশ্বৰ উঃ মাঃ বিদ্যালয় - বুৰঞ্জী - ১
(৩) জয়পুৰ উঃ মাঃ বিঃ - সমাজ বিজ্ঞান- ১
(৪) ৰাজগড় উঃ মাঃ বিঃ - ৰসায়ন বিজ্ঞান- ১

(ঘ) বুৰঞ্জী বিষয়ৰ সাক্ষাৎকাৰ শেষ হৈছে। আন বিষয়ৰ নিৰ্ব্বাচনৰ ভিত্তিত পূৰণ কৰাৰ ব্যৱস্থা লোৱা হব।

## বিষয় ঃ প্ৰি-চিনিয়ৰ মাদ্ৰাছা।

**শ্ৰী গৌতম ৰায়ে সুধিছে ঃ**

৪৩২।মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) প্ৰি-চিনিয়ৰ মাদ্ৰাছা নামৰ যিবোৰ মাদ্ৰাছা অসমত খোলা হৈছে তাৰ বাবে চৰকাৰৰ কোনখন আইন বা বিভাগীয় বিধিত ব্যৱস্থা আছে? এনে মাদ্ৰাছা খোলাৰ বাবে চৰকাৰৰ অনুমোদন আছেনে? যদি নাই, তেন্তে এই মাদ্ৰাছাবোৰ এতিয়াও বাতিল কৰি অনুমোদন জনোৱা বিষয়াজনৰ বিৰূদ্ধে ব্যৱস্থা লোৱা হোৱা নাই কিয়?

(খ) মাদ্ৰাছা শিক্ষাৰ উপ-সঞ্চালকজনে সেই মাদ্ৰাছাবোৰলৈ অনুমতি আৰু স্বীকৃতি দিয়া আদেশ পত্ৰবোৰত ৫(1) বুলি শিক্ষা বিভাগৰ যিটো বিধিৰ উল্লেখ কৰিছে সেই বিধিটো প্ৰকৃততে ভুৱা আৰু বিধি প্ৰযোজ্য নহয় বুলি দুৰ্নীতি নিবাৰণ শাখাই তদন্তৰ প্ৰতিবেদনত উল্লেখ কৰাটো সঁচানে? যদি সঁচা, তেন্তে এই বিষয়ত কি ব্যৱস্থা লোৱা হৈছে?

(গ) মাদ্ৰাছা শিক্ষাৰ প্ৰাদেশীকৰণ আইন মতে মাদ্ৰাছা শিক্ষাৰ উপ-সঞ্চালকে মাদ্ৰাছা শিক্ষক কৰ্মচাৰীক নিলম্বিত বা বৰ্খাস্ত কৰাৰ ক্ষমতা প্ৰদান কৰিছেনে। যদি নাই কৰা তেন্তে তেওঁ কিমান জনক বে-আইনী ভাবে নিলম্বিত আৰু বৰ্খাস্ত কৰিলে আৰু তেওঁলোকৰ ক্ষেত্ৰত কি ব্যৱস্থা

লোৱা হৈছে।

**শ্ৰী থানেশ্বৰ বড়ো (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) অসম শিক্ষা বিভাগৰ (বিধিৰ ৩ নিৰ্দ্দেশনা) ১ম খণ্ড ১৯৯৫ চনৰ ৫৪ বিধিৰ ৫(১) উপ-বিধিত এই সম্পৰ্ক নিৰ্দ্দেশ দিয়া আছে।

(খ) ভূৱা নহয়।

(গ) হয়, প্ৰদান কৰিছে। অসম মাদ্ৰাছা শিক্ষা প্ৰাদেশীকৰণ আইন (১৯৯৫) ৰ বিধি ২(ডি) অনুযায়ী। মাদ্ৰাছা শিক্ষাৰ উপ-সঞ্চালকে কাৰ্য্য ব্যৱস্থা লয়। তদুপৰি ১৯৯৫ চনৰ বিধি আৰু নিৰ্দ্দেশনাৰ ৪ আৰু ৭ উপ-বিধিত এই সম্পৰ্কীয় নিৰ্দ্দেশ আছে।

## Re.: Operation Blackboard Post.

**Smti Pramila Rani Brahma asked :**

*433.Will the Minister of Elementary Education be pleased to state:

(a) How many post of O.B.C. have been released by the Central Govt. to the Elementary Education of Assam?

(b) In which period those post have been released and for what period it will last?

(c) Whether those posts have been released to every district of Assam?

(d) If it is, what are their number in every district?

**Sri Thaneswar Boro (Minister of Education) replied:**

(a) 750 posts in 1983-84
8153 posts in 1993-94
4040 posts in 1996-97

Total 12943 posts

(b) 750 posts upto '87-88
8153 posts upto '93-94
4040 posts created in 1998

(c) Yes.

(d) Lists placed on the table of the House.
(See Annexure -IV)

**বিষয় ঃ স্থায়ী আৰু অস্থায়ী চাহ শ্ৰমিকৰ সংখ্যা**

**শ্ৰী এটোৱা মুণ্ডায়ে সুধিছে ঃ**

৪৩৪। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চাহ নিগমৰ মুঠ কেইখন চাহ বাগিছা আছে?

(খ) এই বাগিছা সমুহৰ স্থায়ী আৰু অস্থায়ী চাহ শ্ৰমিকৰ সংখ্যা কিমান? (বাগিছা ভিত্তিত তালিকা সদনৰ মেজত দাখিল কৰিব)

(গ) নিগমৰ বাগিছা সমুহত মুঠ কিমানটা চিকিৎসালয় আছে? আৰু ইয়াত নিয়োজিত ডাক্তৰৰ সংখ্যা কিমান?

(ঘ) নিগমৰ বাগিছা সমুহৰ বিপৰীতে কিমানজন শ্ৰমিক কল্যান বিষয়া আছে?

(ঙ) স্থায়ী আৰু অস্থায়ী শ্ৰমিকৰ সংখ্যাৰ বিপৰীতে প্ৰাথমিক বিদ্যালয়, এম, ই/ এম, ভি আৰু হাইস্কুলৰ সংখ্যা কিমান মন্ত্ৰী মহোদয়ে জনাবনে?

**শ্ৰী গুনীন হাজৰিকা (উদ্যোগ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) ১৫ খন। ইয়াৰ ভিতৰত এখন বাগিছা নিগমে কৰ্ট অব বাৰ্ডচৰ হৈ চলাই আছে।

(খ) স্থায়ী শ্ৰমিকৰ সংখ্যা ১৫৯৯৭ জন। অস্থায়ী শ্ৰমিক নাই।

বাগিছা ভিত্তিক স্থায়ী শ্ৰমিকৰ সংখ্যা তলত ডাঙি ধৰা হ'ল।

| | বাগিছাৰ নাম | স্থায়ী শ্ৰমিকৰ সংখ্যা |
|---|---|---|
| ১) | চিনামাৰা | ২১৮৩ জন |
| ২) | চৈকতা | ২৩৬৭ জন |
| ৩) | নাগানিজান | ১০৩০ জন |
| ৪) | নেঘেৰিটিং | ১২০৪ জন |
| ৫) | ৰঙামাটি | ৭৮৭ জন |
| ৬) | মিছামৰা | ৭৮৬ জন |
| ৭) | ৰজাবাৰী | ৩১৪ জন |
| ৮) | ডিপলিং | ১১১৯ জন |

| | | |
|---|---|---|
| ৯) | আমলখি | ১১২০ জন |
| ১০) | ডিজুভেলী | ৭০৭ জন |
| ১১) | লুংচুং | ৯৭০ জন |
| ১২) | ভোলাগুৰি | ২১৬ জন |
| ১৩) | লংগাই | ১৬৫৯ জন |
| ১৪) | ইচাবিল | ১০৪০ জন |
| ১৫) | বিদ্যানগৰ | ৪৯৪ জন |
| | মুঠ | ১৫,৯৯৭ জন |

(গ) মুঠ চিকিৎসালয় ১৭ খন। চিকিৎসকৰ সংখ্যা ২০ জন

(ঘ) ১৭ জন।

(ঙ) বাগিছা সমূহত থকা স্কুলৰ সংখ্যা তলত দেখুৱা হ'ল।

| বাগিছাৰ নাম | প্ৰাথমিক বিদ্যালয়ৰ সংখ্যা | | এম, ই এম, ভি বিদ্যালয়ৰ সংখ্যা | | হাইস্কুলৰ সংখ্যা | |
|---|---|---|---|---|---|---|
| ১) চিনামাৰা | ৭ | ১ | ২ | | | |
| ২) চৈকতা | ৪ | ১ | ২ | | | |
| ৩) নাগনিজান | ৩ | নিগমৰ | - | নিগমৰ | ১ | নিগমৰ |
| ৪) নেঘেৰিটিং | ৩ | মাটিত | - | মাটিত | ২ | মাটিত |
| ৫) ৰঙামাটি | ২ | থকা | - | থকা | ১ | থকা |
| ৬) মিছমাৰা | ২ | চৰকাৰী | ১ | চৰকাৰী | ২ | চৰকাৰী |
| ৭) ৰাজাবাৰী | ১ | বিদ্যালয়। | ১ | বিদ্যালয়। | ১ | সাহাৰ্য্য |
| ৮) ডিপলিং | ৫ | | ১ | | ১ | প্ৰাপ্ত |
| ৯) লংগাই | ৫ | | ১ | | ২ | বিদ্যালয়। |
| ১০) ইছাবিল | ২ | | - | | ১ | |
| ১১) বিদ্যানগৰ | ২ | | ১ | | ১ | |
| ১২) আমলখি | ৩ | নিগমৰ | - | | ২ | নিগমৰ |
| ১৩) ডিজুভেলী | ২ | নিজা | - | | ১ | নিজা |
| ১৪) ভোলাগুৰি | ১ | বিদ্যালয় | - | | ১ | বিদ্যালয় |
| ১৫) লুংচুং | ৪ | | - | | ২ | |

## Re.: History and life of the Tea Industry.

**Shri Dileswar Tanti asked :**

435. Will the Minister of Industries be pleased to state:

(a) Whether the Govt. has any plan to project the history and life of the Tea Industry as well as Tea people of Assam in the State Museum of Assam.

(b) If yes, when the Scheme will be taken up?

**Shri Gunin Hazarika (MInister of Industries & Commerce) replied :**

(a) The State Govt. has been trying to persuade Tea Industry to set up Tea Museum in the State depecting history and life of Tea Industries in the State.

(b) No time frame has been fixed.

## বিষয় ঃ উদ্যোগীকৰণৰ নীতি।

**শ্ৰীমতী প্ৰণতি ফুকনে সুধিছে ঃ**

৪৩৬ মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) উদ্যোগীকৰণৰ নতুন উদ্যোগী নীতি চৰকাৰে গ্ৰহণ কৰাটো সঁচানে?

খ) এই উদ্যোগী নীতিত কি কি আঁচনি গ্ৰহণ কৰা হৈছে?

গ) এই উদ্যোগী নীতিৰ আঁচনি সমূহ কেতিয়া কাৰ্য্যকৰণ কৰা হব জনাবনে?

**শ্ৰী গুনীন হাজৰিকা (উদ্যোগ বিভাগৰ মন্ত্ৰী),য়ে উত্তৰ দিছে ঃ**

ক) সচাঁ।

খ) এই উদ্যোগনীতিৰ মূল লক্ষ্য হ'ল ৰাজ্যখনত উদ্যোগীকৰণৰ জৰিয়তে সংস্থাপনৰ সুবিধা সৃষ্টি কৰা নিৰ্দিষ্ট নিৰ্ব্বাচিত বিষয় সমূহ হ'ল ঃ

১) উদ্যোগীকৰণৰ বাবে স্থানীয় কেচামালৰ ব্যৱস্থাৰ জৰিয়তে কৰ্মসংস্থাপনৰ সৃষ্টি কৰা।

২) দেশী আৰু বিদেশী বিনিয়োগকাৰীক অসমত বিনিয়োগ কৰিবলৈ

আহবান জনোৱা।

৩) ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰে আগবঢ়োৱা উদগনি সমূহ অসমৰ উদ্যোগ সমূহে পাব পৰাকৈ ব্যৱস্থা গ্ৰহণ কৰা।

৪) উদ্যমিয়তা বিকাশ, থলুৱা কৰ্ম্মদক্ষতা বৃদ্ধি, মহিলা উদ্যমিয়তা বিকাশ, বপ্তানিকৃত উদ্যোগ স্থাপন, থলুৱা লোকক নিযুক্তি, আন্তঃগাঠনি উন্নয়ন, আঞ্চলিকতা ভাৰসাম্যতা দূৰীকৰণ, কুটীৰ উদ্যোগৰ উন্নয়ন, বৃহৎ আৰু মজলীয়া উদ্যোগ স্থাপন আদিৰ বাবে বিশেষ দৃষ্টি ৰখাৰ লগতে পৰিকল্পনা যুগুত কৰিবলৈ বিচৰা হৈছে।

অসমৰ উদ্যোগ সমূহৰ উন্নয়নত সমবায় কৰিবলৈ এই উদ্যোগনীতিত কিছুমান উদগনিমূলক সাহাৰ্য্য দিবলৈ বিচৰা হৈছে। এই সাহাৰ্য্য সমূহ হ'ল।

১) বৈদ্যুতিক শক্তিৰ ওপৰত সাহাৰ্য্য।
২) কাৰ্য্যকৰা মূলধনৰ সুদৰ ওপৰত ৰাজ সাহাৰ্য্য।
৩) ৰাজ্যিক ৰাজ সাহাৰ্য্য।
৪) বিক্ৰি কৰ ৰেহাই।
৫) বৈদ্যুতিক উৎপাদনৰ ওপৰত সাহাৰ্য্য।
৬) সহযোগী খণ্ডৰ উদ্যোগত অংশ গ্ৰহন।
৭) প্ৰকল্প ব্যয় প্ৰস্তুত কৰাত সাহাৰ্য্য।
৮) অন্যান্য সাহাৰ্য্য।
৯) আন্তঃ গাঠনি উন্নয়নত সাহাৰ্য্য।
১০) মানৱ শক্তি বিকাশৰ ওপৰত সাহাৰ্য্য।
১১) ৰপ্তানীকৃত উদ্যোগলৈ সাহাৰ্য্য।
১২) মহিলা উদ্যোগৰ বাবে বিশেষ সাহাৰ্য্য।
১৩) কৃষি আৰু খাদ্য প্ৰস্তুত কৰণ উদ্যোগলৈ বিশেষ সাহাৰ্য্য।
১৪) শাৰীৰিক ভাৱে অক্ষম উদ্যোগীলৈ বিশেষ সাহাৰ্য্য।
১৫) হস্ত শিল্প উদ্যোগলৈ বিশেষ সাহাৰ্য্য।
১৬) এই উদ্যোগ নীতি কাৰ্য্যকৰণ হৈ আছে।

গ) এই উদ্যোগনীতি এপ্ৰিল ১৯৯৭ চনৰ পৰা কাৰ্য্যকৰিকৰণ হৈ আছে।

## Re.: Pension of retired College Teachers.

**Shri Sukhendu Shekhar Dutta, asked :**

437.Will the Minister of Education be pleased to state:

(a) When the Pension of retired college teachers will be given? If yes, when?

(b) Whether 1989 will be taken as cut-off year for pension for the retired college teachers as demanded by the retired College Teachers Association?

**Shri Thaneswar Boro (Minister of Higher Education) replied:**

(a) The Assam Non-Govt.(Deficit) College Central Pension and Provident Fund Act,1997 came into force with effect from 1st Day of January/1995.

(b) The rules made under the above mentioned Act, shall apply to the employees who were in the permanent service of the Assam Non-Govt.(Deficit) Colleges on or after first day of January,1995 if they opt for pension under the Act.

## বিষয় ঃ মীন উৎপাদন।

**শ্ৰী কৰুণা দত্ত, ই সুধিছে ঃ**

৪৩৮। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) মীন উৎপাদনত মাজুলী অসমৰ ভিতৰতে এখন উল্লেখনীয় স্থান গীতকে মীন ব্যৱসায়টি মাজুলীত মূল ব্যৱসায়লৈ পৰিণত হোৱাৰ কথা অসম চৰ্কাৰৰ অৱগতনে?

খ) যদি অৱগত - বিশ্ববেংকৰ পৰা মীন ব্যৱসায়ৰ বাবে আগবঢ়োৱা সাহাৰ্য্য মাজুলীক দিয়া হৈছেনে?

গ) যদি দিয়া নাই - ইয়াৰ কাৰণ কি?

ঘ) ১৯৯১-৯২ চনৰ পৰা মীন উন্নয়ন নিগমৰ পৰা মাজুলীত কিমান সংখ্যক মীন শিল্প গঢ়িবৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে আৰু এই সংক্ৰান্তত কিমান পৰিমাণৰ টকা ব্যয় কৰা হৈছে?

ঙ) মীন শিল্প গঢ়িবৰ বাবে চৰকাৰৰ ফালৰ পৰা যি সাহার্য্য আঁচনি তৈয়াৰ কৰা হৈছিল - উক্ত আঁচনি অনুসৰি সকলো অর্থানুদান আদায় দিয়া হৈছেনে (১৯৯১-৯২) চনৰ পৰা (১৯৯৭-৯৮) চনলৈকে বছৰি ভিত্তিত এখন তালিকা সদনৰ মজিয়াত দাখিল কৰিবনে?

চ) ১৯৯৭-৯৮ আৰু ১৯৯৮-৯৯ চন বর্ষৰ প্রলয়ংকাৰী বানৰ ক্ষতিগ্রস্ত হোৱা মীন উন্নয়ন নিগমৰ দ্বাৰা গঢ়ি উঠা মীন শিল্পসমূহ পুনৰ মেৰামতিৰ বাবে মাজুলী সহকুমাত কিমান টকা আগবঢ়াইছে?

ছ) উক্ত অনুদান মাজুলী মহকুমাত বিতৰণ কৰা হ'ল নেকি?

জ) যদি হ'ল কিমান সংখ্যক হিতাধীকাৰী বিতৰণ কৰা হ'ল?

ঝ) যদি হোৱা নাই কিয় হোৱা নাই জনাবনে?

**শ্রী বুবুল দাস (মীন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ**

ক) হয়।

খ) মাছ ব্যৱসায়ৰ বাবে অসম গ্রাম্য আন্তঃগাঠনি ও কৃষি সেৱা প্রকল্পৰ অ্ধীনত কোনো আঁচনি নাই। কিন্তু বিশ্ববেংকে অনুমোদন জনোৱা প্রকল্প এলেকাত অসমৰ ২১ খন জিলাৰ মহকুমাবোৰত অসম গ্রাম্য আন্তঃগাঠনি ও কৃষি সেৱা প্রকল্পৰ অধীনত লোৱা আঁচনিসমূহৰ নিচিনাকৈ মাজুলী সহকুমাতো পূজিঁ ও মীন পালনৰ উপযোগিতা অনুসৰি উন্নয়নমূলক আঁচনি লৈ থকা হৈছে।

মাজুলী মহকুমাত ব্যক্তিগত পুখুৰী উন্নয়ন, ৰাজহুৱা পুখুৰী উন্নয়ন, গাহৰিৰ লগত মীন পালন আদি আঁচনিসমূহ ১৯৯৬-৯৭ চনৰ পৰা ৰূপায়ন কৰি থকা হৈছে। লগতে এই বছৰ উক্ত মহকুমাত ভেবেকী আৰু বুবুক বিল দুখন উন্নয়নৰ বাবে নিবিদা আহ্বান কৰা হৈছে।

গ) প্রশ্ন নুঠে।

ঘ) মাজুলীৰ ভেবেকী (৪৩ হেঃ) আৰু বুবুক (২৬ হেঃ) বিল দুখনৰ উন্নয়নৰ বাবে যথাক্রমে ৩.০৭ লাখ টকা আৰু ৪.৪৫ লাখ টকা ব্যয়ৰ আঁচনি প্রস্তুত কৰা হৈছে আৰু এই সম্পর্কে মীন সঞ্চালকে নিবিদা আহ্বান কৰিছে।

(ঙ) প্রশ্নোত্তৰ 'ঘ'ত উল্লেখ কৰা উক্ত বিলদুখনৰ উন্নয়নৰ বাবে অনুমোদন পোৱা হৈছে আৰু এই ধন চলিত বিত্তীয় বছৰতহে উলিয়াব পৰা যাব।

(চ) অসম মীন উন্নয়ন নিগমৰ মীন শিল্প সমূহক বানৰ ক্ষয়ক্ষতিৰ বাবে কোনো ধন আগবঢ়োৱা নাই।

(ছ) প্ৰশ্ন নুঠে।

(জ) প্ৰশ্ন নুঠে।

(ঝ) বিশ্ববেংকৰ আঁচনিৰ অধীনত বানৰ ক্ষয়ক্ষতিৰ মেৰামতিৰ বাবে এতিয়ালৈকে কোনো ব্যৱস্থা কৰা হোৱা নাই।

## বিষয় ঃ শিক্ষা বিভাগৰ উচ্চ পদস্থ বিষয়া।

**শ্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে ঃ**

৪৩৯। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্ত্তমান বিভাগৰ উচ্চ পদস্থ কেইজন বিষয়াৰ পদ খালী হৈ আছে?

(খ) যদিহে খালী হৈ আছে পদ সমূহ পূৰণৰ ব্যৱস্থা কৰিব নে?

**শ্ৰী থানেশ্বৰ বড়ো (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) বৰ্ত্তমান বিভাগৰ উচ্চ শিক্ষা সঞ্চালক, প্ৰাথমিক শিক্ষা সঞ্চালক আৰু প্ৰাপ্ত বয়স্ক আৰু অনানুষ্ঠানিক সঞ্চালকৰ পদ খালী হৈ আছে।

(খ) উক্ত খালী পদ সমূহ পূৰণৰ ব্যৱস্থা কৰি থকা হৈছে।

## বিষয় ঃ Total Literacy Campaign.

**শ্ৰী জয় চন্দ্ৰ নাগবংশীয়ে সুধিছে ঃ**

৪৪০। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডিব্ৰুগড় জিলাত Total Literacy Campaign (T.L.C.) আঁচনিখন কোন বিত্তীয় বৰ্ষৰ পৰা প্ৰৱৰ্ত্তন কৰা হৈছে?

(খ) উক্ত আঁচনি কাৰ্য্যকৰী কৰিবলৈ কেন্দ্ৰ চৰকাৰে আজি পৰ্য্যন্ত কিমান ধনৰ আৱন্টন দিছে?

(গ) উক্ত আঁচনিখন ৰূপায়ণ কৰিবলৈ জিলা ভিত্তিত কিবা কমিটি/ব'ড আছে নেকি? যদি আছে, ইয়াৰ সদস্য গাঠনি সম্পৰ্কে বিতংভাবে জনাবনে?

(ঘ) উক্ত আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত কিমান শিক্ষক-শিক্ষয়িত্ৰী নিয়োগ কৰা

হৈছে? শিক্ষক-শিক্ষয়িত্ৰী সকলৰ শিক্ষাগত অৰ্হতা ও নামৰ তালিকা সদনৰ মেজত দাখিল কৰিব?

(ঙ) উক্ত আঁচনিত নিয়োজিত শিক্ষক-শিক্ষয়িত্ৰী সকলক কি হাৰত বেতন আদি দিয়া হৈছে?

(চ) উক্ত আঁচনি সমূহ জিলাৰ কোন কোন ঠাইত (কেন্দ্ৰত) চলাই থকা হৈছে?

(ছ) উক্ত আঁচনিৰ দ্বাৰা আজি পৰ্য্যন্ত কিমানজনক পূৰ্ণ সাক্ষৰতা প্ৰদান কৰা হ'ল?

**শ্ৰী থানেশ্বৰ বড়ো (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) ডিব্ৰুগড় জিলাত Total Literacy Campain (TLC) আঁচনিখন ১৯৯৫-৯৬ চনৰ পৰা আৰম্ভ কৰা হৈছে।

(খ) উক্ত আঁচনিত ৭৯,১৫,০০০ টকা কেন্দ্ৰীয় চৰকাৰে আৱন্টন দিছে।

(গ) হয় আছে। জিলা ভিত্তিত জিলা সাক্ষৰতা কমিটি এখন আছে। এই কমিটিখনৰ সস্য গাঠনি সম্পৰ্কে ডিব্ৰুগড় জিলাৰ সাক্ষৰতা কমিটিৰ সভাপতি তথা জিলা উপায়ুক্তৰ পৰা তথ্য বিচৰা হৈছে।

(ঘ) পূৰ্ণ সাক্ষৰতা অভিযানত শিক্ষক শিক্ষয়িত্ৰী নিয়োগ কৰা নহয়।

(ঙ) প্ৰশ্ন নুঠে।

(চ) পূৰ্ণ সাক্ষৰতা আঁচনিখনে সমগ্ৰ ডিব্ৰুগড় জিলা সামৰি লৈছে। এইখন কেন্দ্ৰ ভিত্তিত আঁচনি নহয়।

(ছ) মূল্যায়ণ কৰিবলৈ বাকী আছে।

## Re.: Irrigation Scheme.

**Dr Nazrul Islam asked :**

441. Will the Minister of Irrigation be pleased to state :

(a) Whether Government has taken any scheme for modernisation of Jamuna Irrigation Scheme?

(b) If taken what are those when those will be implemented?

**Shri Abdul Muhib Mazumdar (Minister of Irrigation) replied :**

(a) Yes.

(b) Main works involve modification of head regulators, cross regulators, canal system, canal structures, cross drainages works and providing Electrical Hoisting arrangements etc.

The works of the scheme will be implemented with the availabilities of fund.

## বিষয় ঃ Separate Division খোলাৰ প্ৰস্তাৱ।

**শ্ৰী শৰৎ বৰকটকীয়ে সুধিছে ঃ**

৪৪২। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) Deputy Director and Secy - Madrassa Education Separate Division - খোলাৰ কিবা প্ৰস্তাৱ আছে নেকি?

(খ) যদি আছে কেতিয়াৰ পৰা কাৰ্য্যকৰি হব?

**শ্ৰী থানেশ্বৰ বড়ো (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) তেনেকুৱা কোনো প্ৰস্তাৱ নাই।

(খ) প্ৰশ্ন নুঠে।

## বিষয় ঃ বিষয়া, কৰ্মচাৰী, শিক্ষক সকলৰ নিলম্বিতকৰণ।

**শ্ৰী আলী আকবৰ মিঞাই সুধিছে ঃ**

৪৪৩। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধুবুৰী জিলাত কোন, কোন বিষয়া, কৰ্মচাৰী, শিক্ষকক যোৱা তিনিটা বছৰত নিলম্বিত কৰা হ'ল? (নিলম্বিতকৰণ তাৰিখ D.P. Draw কৰাৰ তাৰিখ জনাই প্ৰতিবেদন সদনত দাখিল কৰিব লাগে)

(খ) ধুবুৰী জিলাত বিষয়া, কৰ্মচাৰী, শিক্ষক সকলক নিলম্বিত কৰি তাৰ বিপক্ষে সময়মতে D.P. Draw নকৰি পক্ষান্তৰে দায়িত্বত থকা বিষয়া সকলে অভিযুক্ত সকলক সহায়হে কৰি আছে, চৰকাৰ অৱগতনে?

**শ্ৰী থানেশ্বৰ বড়ো (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) ধুবুৰী জিলাত যোৱা তিনিটা বছৰত শিক্ষা বিভাগৰ এজন ৰাজপত্ৰীত বিষয়া নিলম্বিত কৰা হৈছে। জিলা প্ৰাথমিক শিক্ষা বিষয়া শ্ৰী ইফটাক হুছেইন উপ-পৰিদৰ্শকৰ দায়িত্বত থকা সময়ত নিলম্বিত কৰা হয়। কৰ্মচাৰী, শিক্ষকৰ ক্ষেত্ৰ তথা বিচৰা হৈছে। তথ্য পালেই জনোৱা হব। শ্ৰী হুছেইনক পেনচন নিদিয়াৰ সিদ্ধান্ত লৈ APSC য়ে অনুমোদন কৰিছে।

(খ) কৰ্ম্মচাৰী আৰু শিক্ষকৰ ক্ষেত্ৰত সংশ্লিষ্ট বিষয়াৰ পৰা তথ্য বিচৰা হৈছে। তথ্য পালেই সদনক জনোৱা হব।

## বিষয় ঃ শিক্ষকৰ মাহিলী দৰমহা।

**ডাঃ কল্যান কুমাৰ গগৈয়ে সুধিছে ঃ**

৪৪৪।মাননীয় শিক্ষামন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনৰ হিন্দী মাধ্যমৰ বিদ্যালয় সমূহৰ হিন্দী শিক্ষক সকলে মাহিলী দৰমহা নিয়মীয়াকৈ নোপোৱাটো সঁচানে?

(খ) যদি সঁচা কিমান মাহৰ দৰমহা পোৱা নাই অনুগ্ৰহ কৰি জনাবনে?

**শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) সঁচা নহয়। ৰাজ্যখনৰ প্ৰাদেশীকৃত হিন্দী মাধ্যমৰ বিদ্যালয় সমূহ অসমৰ আন আন মাধ্যমৰ প্ৰাদেশীকৃত বিদ্যালয়ৰ সম-পৰ্য্যায়ৰ। গতিকে আন আন মাধ্যমৰ বিদ্যালয়ৰ শিক্ষক সকলে মাহিলী দৰমহা যেনে দৰে পাই আছে ঠিক এনে ধৰণে হিন্দী মাধ্যমৰ শিক্ষক সকলেও পাই আছে।

(খ) 'ক' প্ৰশ্নৰ উত্তৰৰ ভিত্তিত প্ৰশ্ন নুঠে।

## Re.: Power & Function of D.P.E.P.

**Smti Pramila Rani Brahma asked :**

445. Will the Minister of Elementary Education be pleased to state :

(a) What are the power and function of D.P.E.P.? (Detail may be laid on the Table of the House)

(b) Whether Committees have been formed for the proper functioning in Kokrajhar D.P.E.P.?

(c) Whether meeting are being held of every Committees?

(d) Till today how much money has been spent by the Kokrajhar D.P.E.P. and for what activities? (Detail may be laid on the Table of the House)

(e) How many School buildings have been constructed since its inception in the district?

**Shri Thaneswar Boro (Minister of Education) replied :**

(a) The power and function of DPEP is placed at Annexure-I.

(b) The Committees formed under DPEP, Kokrajhar is placed at Annexure-II.

(c) The meeting of District Advisory Committee are being held in every quarter. In addition to this, the meeting of District Advisory Committee are held whenever necessary.

The meeting of District Steering Groups are being held every month. The meeting of District Purchase Committees are held as and when any decision on procurement of materials/equipment for the district become necessary.

(d) Total expenditure of Rs. 4,51,64,729.00 spent by DPEP, Kokrajhar is placed at Annexure-III.

(e) A statement of school buildings constructed since its inception in the district is placed at Annexure-IV. (See Annexure-V)

**বিষয় ঃ কৃষি সেৱা প্ৰকল্প।**

**শ্ৰীমতী প্ৰণতি ফুকনে সুধিছে ঃ**

৪৪৬।মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম গ্ৰাম্য আন্তঃগাঠনি কৃষি সেৱা প্ৰকল্পৰ অধীনত মীন বিভাগে ১৯৯৮-৯৯ বিত্তীয় বছৰত মুঠ কিমান টকা ব্যয় কৰিছে?

(খ) উক্ত প্ৰকল্পৰ অধীনত কি কি আঁচনি আৰু কাৰ্য্যসূচী লোৱা হৈছে?

**শ্ৰী বুবুল দাস (মীন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) ১৯৯৮-৯৯ বিত্তীয় বছৰত অসম গ্ৰাম্য আন্তঃগাঠনি ও কৃষি সেৱা প্ৰকল্পৰ অধীনত মুঠ ২৫০.০০ লাখ টকা আহৰণ কৰি আঁচনি ৰূপায়নৰ বাবে খৰচ কৰাৰ ব্যৱস্থা কৰা হৈছে।

(খ) অসম গ্ৰাম্য আন্তঃগাঠনি ও কৃষি সেৱা আঁচনিৰ অধীনত মীন বিভাগে ১৯৯৫-৯৬ বিত্তীয় বৰ্ষৰ পৰা ২০০২-০৩ বিত্তীয় বৰ্ষলৈ তলত দেখুৱা আঁচনিসমূহ ৰূপায়ন কৰাৰ বাবে ব্যৱস্থা কৰিছে -

১। মাছ পোনা উৎপাদন কেন্দ্ৰ (অসম কৃষি বিশ্ববিদ্যালয়)।

২। ভ্ৰাম্যমান মৎস্য স্বাস্থ্য কেন্দ্ৰ।

৩। ব্যক্তিগত পুখুৰী উন্নয়ন ও মীন পালন। (৮০০ টা পুখুৰী ২০০ হেঃ পানীকালি)।

৪। ৰাজহুৱা পুখুৰা উন্নয়ন ও মীন পালন। (১৫০ টা পুখুৰী ৩০০ হেঃ পানীকালি)।

৫। মীন মহল উন্নয়ন (৫০০০ হেঃ পানীকালি)।

৬। মীন গৱেষনা।

৭। মীন সম্প্ৰসাৰণ শিক্ষা ও প্ৰশিক্ষণ।

৮। মুক্ত জলাশয় উন্নয়ন (৫০০ হেঃ পানীকলি)।

৯। প্ৰকল্প নিৰীক্ষণ ও মূল্যাঙ্কণ।

## বিষয় ঃ প্ৰাক্ প্ৰাথমিক শ্ৰেণী আৰম্ভৰ আঁচনি।

**শ্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে ঃ**

৪৪৭।মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনত প্ৰাক্ প্ৰাথমিক শ্ৰেণী আৰম্ভ কৰাৰ বাবে ৰাজ্য চৰকাৰে আঁচনি গ্ৰহণ কৰিছে নেকি?

(খ) যদিহে কৰিছে, কেতিয়াৰ পৰা কাৰ্য্যকৰী কৰা হ'ব?

(গ) যদিহে উক্ত আঁচনি গ্ৰহণৰ প্ৰস্তুতি চলোৱা নাই, আঁচনি যুগুত কৰাৰ বাবে বিভাগে চিন্তা কৰিব নে?

**শ্ৰী থানেশ্বৰ বড়ো (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) কৰা নাই।

(খ) প্ৰশ্ন নুঠে।

(গ) প্ৰশ্ন নুঠে।

## বিষয় ঃ অৰ্হতাহীন ব্যক্তিক শিক্ষক পদত নিযুক্তি।

**শ্ৰী আলী আকবৰ মিঞাই সুধিছে ঃ**

৪৪৮।মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিলাসীপাৰা পাবলিক হায়াৰ চেকেন্দাৰী স্কুলত প্ৰয়োজনীয় শিক্ষাগত অৰ্হতা নথকা ব্যক্তি এজনে নিযুক্তি পাই ১১/০১/৮৫ ইং ৰ পৰা শিক্ষকতা কৰি আছে, সঁচা নে? যদি সঁচা তেন্তে ৰাজহুৱা অভিযোগ পাইও তথা বিভিন্ন স্তৰৰ পৰা ৰিপৰ্ট সংগ্ৰহ কৰিও ইমান দিনে তেওঁৰ অবৈধ নিযুক্তি বাতিল নকৰাৰ কাৰণ কি?

(খ) উক্ত শিক্ষক জনৰ চাৰ্টিফিকেটবোৰও আনকি সন্দেহ যুক্ত সঁচা নে? যদিহে সঁচা, তেন্তে তেওঁৰ চাৰ্টিফিকেটবোৰ কৰ্তৃপক্ষই নিখুঁত ভাৱে পৰীক্ষা-নিৰীক্ষা কৰি তাৰ কিবা ব্যৱস্থা গ্ৰহণ কৰিলেনে?

**শ্ৰী থানেশ্বৰ বড়ো (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) বিলাসীপাৰা পাবলিক হায়াৰ চেকেণ্ডাৰী স্কুলৰ বুৰঞ্জী বিষয়ৰ তৃতীয় শ্ৰেণীৰ এম,এ, পাছ এজন শিক্ষক ১১/০১/৮৫ ইং তাৰিখৰ পৰা কাম কৰি থকা বুলি অভিযোগ পোৱাটো সঁচা।

অভিযোগ পোৱাৰ পিছত ধুবুৰী জিলাৰ পৰিদৰ্শক আৰু বিদ্যালয়ৰ অধ্যক্ষৰ পৰা উক্ত বিষয় সন্দৰ্ভত নথি সহ প্ৰতিবেদন বিচৰা হৈছে। বিতং তথা পোৱাৰ পিছত পৰীক্ষা কৰি চোৱা হ'ব।

(খ) পৰিদৰ্শক আৰু অধ্যক্ষৰ পৰা তথ্য সহ প্ৰতিবেদন পোৱাৰ পিচত বিষয়টো পৰীক্ষা কৰা হ'ব।

## Re.: Kokrajhar Art & Music College.

**Smti Pramila Rani Brahma asked :**

449. Will the Minister of Higher Education be pleased to state :

(a) Whether Govt. is aware that in Kokrajhar Town there is an Art & Music college?

(b) If it is true whether concurrence for examination has been granted to that college?

(c) If not, why? Please state the reason?

**Shri Thaneswar Boro (Minister of Higher Education) replied :**

(a) Yes.

(b) No.

(c) The matter is under active consideration of the Government in the Cultural Affairs Deptt.

## বিষয় ঃ মীন বিভাগৰ আঁচনি।

**ডাঃ কল্যাণ কুমাৰ গগৈয়ে সুধিছে ঃ**

৪৫০। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কিমানটা গুৰুত্বপূৰ্ণ আঁচনি ৰাজ্যখনত ৰূপায়ণ কৰিবৰ বাবে বিশ্বকোষৰ গ্ৰাম্য আন্তঃগাঠনি আৰু কৃষি সেৱা প্ৰকল্পৰ অধীনত ১৯৯৫-৯৬ বিত্তীয় বৰ্ষৰ পৰা আঠ বছৰৰ বাবে মুঠ কিমান টকাৰ বিত্তীয় সাহায্য আগবঢ়ায়?

(খ) এই বিত্তীয় সাহায্যৰ ৰূপায়ণ কৰা আঁচনিসমূহ কি কি?

(গ) এই আঁচনিসমূহ ৰূপায়ণ কৰিবৰ বাবে যোৱা তিনিটা বিত্তীয় বৰ্ষত বিশ্ব বেংকে কিমান টকা মোকলাই দিয়ে আৰু মীন বিভাগে কিমান টকা ব্যৱহাৰ কৰে?

(আঁচনি কেইখনৰ বিপৰীতে ব্যৱহাৰ কৰা টকাৰ পৰিমাণ আৰু কোন কেইখন জিলাত খৰচ কৰা হয় তাৰ তালিকা এখন সদনৰ মেজত দিবলৈ অনুৰোধ কৰা হ'ল)

শ্ৰীবুবুল দাস (মীন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) বিশ্ববেংকে অসমৰ গ্ৰাম্য আন্তঃগাঠনি আৰু কৃষি সেৱা প্ৰকল্পৰ অধীনত ১৯৯৫-৯৬ চনৰ বিত্তীয় বছৰৰ পৰা ২০০২-০৩ চনলৈকে মুঠ ৮ বছৰৰ বাবে ৯ খন আঁচনি ৰূপায়ণৰ বাবে ২৮৩৭.৪০ লাখ টকাৰ ঋণ মঞ্জুৰ কৰে।

(খ) উক্ত বিত্তীয় সাহাৰ্য্যৰে ৰূপায়ণ কৰিবলৈ লোৱা আঁচনিসমূহ তলত দেখুওৱা হৈছে -

১। মৎস উৎপাদন কেন্দ্ৰ (অসম কৃষি বিশ্ববিদ্যালয়)।
২। ভ্ৰাম্যমান মৎস্য স্বাস্থ্য কেন্দ্ৰ।
৩। ব্যক্তিগত পুখুৰী উন্নয়ন ও মীন পালন।
৪। ৰাজহুৱা পুখুৰী উন্নয়ন ও মীন পালন।
৫। মীন মহল উন্নয়ন।
৬। মীন গৱেষণা।
৭। মীন সম্প্ৰসাৰণ শিক্ষা ও প্ৰশিক্ষণ।
৮। মুক্ত জলাশয় উন্নয়ন।
৯। প্ৰকল্প নিৰীক্ষণ ও মূল্যাংকন কোষ।

(গ) বিশ্ববেংকে অসম গ্ৰাম্য আন্তঃগাঠনি ও কৃষি সেৱা প্ৰকল্পৰ অধীনত থকা বিভাগবোৰক কোনো টকা মোকলাই নিদিয়ে। সংশ্লিষ্ট বিভাগসমূহে বছৰেকীয়া বাজেটত উক্ত আঁচনিসমূহৰ বাবে টকা ধাৰ্য্য কৰে আৰু এই টকা খৰচ কৰাৰ পিচত বিশ্ববেংকৰ নিয়ম অনুযায়ী মোকলাই দিয়ে। মীন সঞ্চালকালয়ে আঁচনিসমূহ ৰূপায়ণ কৰোতে হোৱা ব্যয়ৰ হিচাপৰ সৈতে ব্যয় পৰিশোধ প্ৰস্তাৱ চৰকাৰৰ যোগেদি বিশ্ববেংকত দাখিল কৰি থকা হৈছে।

প্ৰকল্প আৰম্ভ হোৱাৰ পৰা (১৯৯৫-৯৬) এতিয়ালৈকে খৰচ হোৱা মুঠ টকাৰ পৰিমান তলত দেখুওৱা হ'ল (জিলা ভিত্তিত বিভিন্ন আঁচনিৰ বিপৰীতে খৰচ কৰা টকাৰ পৰিমান (Annexure-I)ত দেখুওৱা হৈছে। (See the Annexure-VI)

| বছৰ | বাজেটত ধাৰ্য্য কৰা পৰিমাণ | | আহৰণ আৰু খৰচৰ পৰিমাণ |
|---|---|---|---|
| ১৯৯৫-৯৬ - | ২৭৬.০০ লাখ | - | ১৭.৪০ লাখ |
| ১৯৯৬-৯৭ - | ৭১১.৫৬ লাখ | - | ২৩৮.৪৮ লাখ |
| ১৯৯৭-৯৮ - | ৬০০.০০ লাখ | - | ৪১৮.৬৩ লাখ |
| ১৯৯৮-৯৯ - | ৬০০.০০ লাখ | - | ২৫০.০০ লাখ |
| | | মুঠ | ৯২৪.৫১ লাখ |

বৰ্ত্তমানলৈকে মুঠ ৪৯৬.৬৩ লাখ টকাৰ ব্যয় পৰিশোধ প্ৰস্তাৱ দাখিল কৰা হৈছে।

## বিষয় ঃ শিক্ষক নিয়োগ।

**ডাঃ কল্যান কুমাৰ গগৈয়ে সুধিছে ঃ**

৪৫১। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্ত্তমান চৰকাৰে প্ৰাথমিক বিদ্যালয় সমূহত কিমানজনকৈ শিক্ষক নিয়োগ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে?

(খ) ডিব্ৰুগড় জিলাত বৰ্ত্তমান অসম চৰকাৰৰ কাৰ্য্যালয়ত কিমানখন বেচৰকাৰী প্ৰাথমিক বিদ্যালয় চৰকাৰীকৰণ কৰা হ'ল জনাবনে?

(গ) ডিব্ৰুগড় জিলাত যিবোৰ প্ৰাথমিক বিদ্যালয়ত এজনকৈ শিক্ষক বা শিক্ষয়িত্ৰী আছে তেনে বিদ্যালয়ত শিক্ষক বা শিক্ষয়িত্ৰীৰ সংখ্যা বঢ়োৱাৰ চিন্তা কৰিছেনে?

**শ্ৰী থানেশ্বৰ বড়ো (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) ছাত্ৰ-ছাত্ৰীৰ সংখ্যা অনুপাতে শিক্ষক নিযুক্তি কৰা হয়। সদ্যহতে কমেও ২ জন শিক্ষক বা শিক্ষয়িত্ৰী প্ৰত্যেক প্ৰাদেশীক বিদ্যালয়ৰ বাবে নিযুক্তি দিয়াৰ ব্যৱস্থা আছে।

(খ) বৰ্ত্তমান চৰকাৰৰ দিনত কোনো বেচৰকাৰী বিদ্যালয় চৰকাৰী কৰণ কৰা হোৱা নাই।

(গ) মহকুমা উপদেষ্টা সমিতি গঠন হলে শিক্ষক নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ কৰিব পৰা যাব আৰু তেতিয়াই এই সম্বন্ধে ব্যৱস্থা লবলৈ জিলা উপ-

পৰিদৰ্শকক নিৰ্দ্দেশ দিয়া হ'ব।

## বিষয় ঃ শিক্ষক, শিক্ষয়িত্ৰী নিযুক্তি।

**ডাঃ কল্যান কুমাৰ গগৈয়ে সুধিছে ঃ**

৪৫২। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডিব্ৰুগড় মহকুমাৰ বিদ্যালয় সমূহৰ উপ-পৰিদৰ্শকৰ অধীনত থকা প্ৰাথমিক বিদ্যালয় সমূহত ডিব্ৰুগড় মহকুমা শিক্ষা উপদেষ্টা আৰু উপ-পৰিদৰ্শকৰ দ্বাৰা ১৯৯৬ চনৰ জানুৱাৰীৰ ৩০ তাৰিখে ৭৯ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীক নিযুক্তি দিয়া হৈছিল নেকি?

(খ) যদি দিয়া হৈছিল, তেন্তে নিযুক্তি পত্ৰত উল্লেখ কৰা মতে তেওঁলোকক কি ভিত্তিত নিযুক্তি দিয়া হৈছিল? পদ সমূহ আঁচনি বৰ্হিভূত আৰু অতীতৰে পৰা মঞ্জুৰী প্ৰাপ্ত পদ হয়নে?

(গ) যদি হয়, তেন্তে অন্য মহকুমাৰ দৰে এওঁলোকেও নিৰ্দ্ধাৰিত স্কেলত বৰ্ত্তমানলৈকে দৰমহা পাই আছেনে?

(ঘ) যদি নাই পোৱা বাজেটত অন্যান্য শিক্ষক সকলৰ লগতে এই শিক্ষক সকলৰ দৰমহাৰ ধনো অন্তৰ্ভূক্ত কৰা নাইনে?

(ঙ) যদি নাই হোৱা তেন্তে কিয় অন্তৰ্ভুক্ত কৰা হোৱা নাই জনাবনে? যদি হৈছে তেন্তে এওঁলোকৰ দৰমহাৰ ধন কলৈ গল জনাবনে?

**শ্ৰী থানেশ্বৰ বড়ো (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) হয়, দিয়া হৈছিল।

(খ) মাহিলি ৯০০.০০ টকা হাৰত বৃত্তীধাৰী শিক্ষক হিচাবে নিযুক্তি দিয়া হৈছিল।

(গ) বিষয়টো বিচৰাধীন হৈ আছে।

(ঘ) এই শিক্ষক সকলৰ দৰমহাৰ ধন বাৰ্ষিক বাজেটত অন্তৰ্ভুক্ত কৰা হৈছে।

(ঙ) প্ৰশ্ন নুঠে।

## বিষয় ঃ সত্ৰীয়া সংস্কৃতি।

**শ্ৰী কৰুণা দত্তই সুধিছে ঃ**

৪৫৩। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কেন্দ্ৰীয় চৰকাৰৰ সাংস্কৃতিক বিভাগ আৰু বিশ্বৰ বিভিন্ন সংস্থাই সত্ৰীয়া সংস্কৃতিৰ প্ৰাণ-কেন্দ্ৰ মাজুলীক বিশ্বৰ ঐতিহ্যপূৰ্ণ স্থান (World heritage site) হিচাবে সংৰক্ষণৰ ব্যৱস্থা লোৱা সম্পৰ্কত অসম চৰকাৰ অৱগত নে?

(খ) যদি অৱগত, মাজুলীৰ ঐতিহ্যপূৰ্ণ সত্ৰসমূহ (মহাপুৰুষ শঙ্কৰদেৱ আৰু দামোদৰ দেৱে প্ৰতিষ্ঠা কৰা) আৰু সত্ৰীয়া কৃষ্টি ৰক্ষণাবেক্ষণ আৰু উন্নয়নৰ বাবে অসম চৰকাৰৰ তৰফৰ পৰা কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে?

(গ) কেন্দ্ৰীয় চৰকাৰে মাজুলীক বিশ্বৰ ঐতিহ্যপূৰ্ণ স্থান হিচাবে গঢ়ি তুলিবৰ বাবে লোৱা ব্যৱস্থা সংক্ৰান্তত অসম চৰকাৰে লোৱা ভূমিকা সম্পৰ্কে অনুগ্ৰহ কৰি জনাবনে?

(ঘ) প্ৰাকৃতিক দুৰ্য্যোগত জৰাজীৰ্ণ মাজুলীৰ সত্ৰসমূহৰ কৃষ্টি, সংস্কৃতি ৰক্ষণাবেক্ষণ আৰু উন্নয়নৰ বাবে চৰকাৰৰ তৰফৰ পৰা সাহায্য আঁচনি যুগুতাব নোৱাৰিবনে?

**শ্ৰী থানেশ্বৰ বড়ো (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) অৱগত।

(খ) অসমৰ দুৰ্দ্দশাগ্ৰস্ত সত্ৰসমূহ সংৰক্ষণৰ অৰ্থে অসম চৰকাৰে এখন উচ্চ পৰ্য্যায়ৰ সমিতি গঠন কৰি দিছে। এই সমিতিয়ে উক্ত সন্দৰ্ভত সংশ্লিষ্ট বিভাগৰ যোগেদি প্ৰয়োজনীয় ব্যৱস্থা লোৱাৰ দিহা কৰিছে।

(গ) বিষয়টো পৰীক্ষাধীন হৈ আছে।

(ঘ) উক্ত সন্দৰ্ভত দুৰ্দ্দশাগ্ৰস্ত সত্ৰ সংৰক্ষণ সমিতিয়ে বিবেচনা কৰি সংশ্লিষ্ট বিভাগৰ যোগেদি প্ৰস্তাৱ মৰ্মে আঁচনি যুগুতোৱাৰ দিহা কৰিব পাৰে।

## ZERO HOURS MATTERS

**Mr. Speaker** : I have received as many as 10 Zero Hour notices for 11.5.99 in the name of the following Hon'ble Members :

1. Shri Dilip Kumar Saikia
2. Shri Sukhendu Shekhar Dutta
   Shri Alauddin Sarkar

3. Dr. Ardhendu Kumar Dey
Shri Sarat Borkatoky
4. Smti. Pranati Phukan
Smti. Hemo Prova Saikia
Smti. Amiya Gogoi
Smti. Pramila Rani Brahma
5. Shri Sukhendu Shekhar Dutta
6. Shri Dilip Kumar Saikia
7. Shri Gahin Chandra Das
8. Shri Mustafa Shahidul Islam
9. Shri Girindra Kumar Barua.

As per Rules, I have selected only 3 Zero Hour notices for raising before the House to-day.

I now, call upon the Hon'ble Members, Dr. Ardhendu Kumar Dey and Shri Sarat Borkatoky to raise their Zero Hour motion which was published in "Amar Asom" dated 9.5.99 under the caption **"পিয়াজৰ পিছত ফুল, ফলমূলৰ বীজ কেলেংকাৰী"।**

***ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ঃ** অধ্যক্ষ মহোদয়, আমাৰ অসম ১/৫/৯৯ তাৰিখৰ সংবাদ পত্ৰত এই সংবাদ পৰিবেশন কৰা হৈছে "পিয়াজৰ পিচত ফলমূলৰ বীজৰ কেলেংকাৰি" ইতিমধ্যে এই বিধান সভাৰ বাহিৰে ভিতৰে বীজৰ কেলেংকাৰি সম্পৰ্কত বহুত আলোচনা, সমালোচনা হৈছে। এটা কথা বাৰে বাৰে উচ্চাৰিত হৈছে যে যি বিলাক বীজ ক্ৰয় কৰা হব সেইবিলাক প্ৰপাৰ প্ৰচিদিউৰ মতে ক্ৰয় কৰা নাই। ১ নং- চাৰ্টিফাইড বীজ কিনা নাই। ২ নং- নিবিদা আহ্বানৰ মাধ্যমত ক্ৰয় কৰা পদ্ধতি গ্ৰহণ কৰা নাই যাৰ কাৰণে বহুখিনি সমালোচনাৰ কথা উঠিছে। পিয়াজৰ নিম্নমানৰ বীজ ভাল ধৰণে গজা নাই। কিছু ফুলৰ গুটি ক্ৰয় কৰাৰ ক্ষেত্ৰত টেণ্ডাৰ কল কৰা নাই। যদি এইটো সচা হয় তেন্তে এইটো অনিয়ম হৈছে। মই মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিছো এই কথাখিনি কিমান দূৰ সচা। এইখিনিয়ে মোৰ বক্তব্য।

***শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী (কৃষি মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ডাঃ অৰ্দ্ধেন্দু দেই আমাৰ অসম বাতৰি কাকতৰ ৯/৫/৯৯ তাৰিখৰ সংখ্যাত যিটো

* Speech not corrected

প্ৰকাশ হৈছে তাৰ লগত তেখেতে যি বক্তব্য ৰাখিছে সেই সম্পৰ্কত স্পষ্টিকৰণ দিব বিচাৰিছো। বাতৰিটোৰ স্পষ্টিকৰণ দিয়াৰ আগতে আপোনাৰ জৰিয়তে জনাব বিচাৰিছো যে নিবিদা আহ্বান নকৰাটো সচা নহয়। ২ নং- ব্যক্তিগত লোকৰ পৰা ক্ৰয় কৰিলে নিবিদা আহ্বান কৰিব লাগে। চৰকাৰৰ পৰা চৰকাৰে বা নিগমৰ পৰা নিগমে ক্ৰয় কৰিলে নিবিদা আহ্বান কৰিব নালাগে। অৰ্ডাৰ দি বীজ নিগমৰ পৰা কিনিব পাৰি। আমাৰ চৰকাৰ অহাৰ পিচত বীজ নিগমৰ পৰা ক্ৰয় কৰা হৈছে। পিয়াজৰ কথাটো নকওঁ। গ্ৰামোন্নয়ণৰ আঁচনি। বীজ নিগমৰ এম,ডিক পিয়াজৰ বাবে চাচপেণ্ড কৰিছো। কোম্পানীটোৰ পেমেন্ট বন্ধ কৰি দিছো আৰু সেই কোম্পানীক ব্লেক লিষ্টেড কৰা হৈছে। বানপানীৰ পিচত চাৰ্টিফাইড নকৰাকৈ বীজ দিয়া নাই। বীজ নিগমৰ পৰা কিনা হৈছে ব্যক্তিগত লোকৰ পৰা বীজ কিনা হোৱা নাই। মাননীয় সদস্য সকলক জ্ঞাতাৰ্থে জনাব বিচাৰিছো যে আমাৰ এই কৃষি প্ৰধান ৰাজ্যখনত বীজ তৈয়াৰ নহয়। সেয়ে বানপানী বা খৰাং বতৰেই হওক বাহিৰৰ পৰা বীজ আনিব লাগে। এই বীজবিলাক ভাৰত চৰকাৰৰ পৰা, পশ্চিমবঙ্গ, উত্তৰ প্ৰদেশৰ বীজ নিগম, ভাৰত চৰকাৰৰ এচ,এফ,চি,আইৰ পৰা বীজ অনা হয়। এই কেইটা অনুষ্ঠানে দিব নোৱাৰিলে অসমত অসুবিধা হয় যিহেতু ইয়াত বীজ তৈয়াৰ নহয়। সেয়ে আচাম চিদ চাৰ্টিফিকেচন এজেন্সী ইন্ট্ৰদিউচ কৰিছো যাতে বীজৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীল হব পাৰে। মই এইখিনি মৌখিক ভাবে ক'লো।

মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য ডাঃ অৰ্দ্ধেন্দু ডাঙৰীয়াই দৈনিক আমাৰ অসম কাকতৰ ৯/৫/৯৯ তাৰিখে প্ৰকাশিত “পিয়াজৰ পিচত ফুল, ফলমূলৰ বীজ কেলেংকাৰী” শীৰ্ষক বাতৰিটোৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিছো এই বাতৰিটোৰ প্ৰতি কৃষি বিভাগ তথা বীজ নিগমৰ দৃষ্টিগোচৰ হৈছে। বাতৰিটোত উল্লেখ কৰা অপবাদসমূহ সম্পূৰ্ণ ভিত্তিহীন আৰু মনে সজা। বাতৰিত প্ৰকাশ মতে প্লান্টছ্ এণ্ড গ্ৰেফটচ পুলি পোখা, বীজ ফলাৱাৰ, ফুলৰ পুলি আদি ক্ৰয়ৰ ক্ষেত্ৰত কোনো ধৰণৰ নীতি নিয়ম উলংঘা কৰা কথাটো সত্য নহয়।

বীজ নিগম কৃষি বিভাগৰ অন্তৰ্গত চৰকাৰী খণ্ডৰ এটা ব্যৱসায়িক প্ৰতিষ্ঠান। ইয়াৰ জৰিয়তে উন্নতমান বীজৰ লগতে ফলমূলৰ আৰু ফুলৰ বীজ, পুলি পোখা আদিৰো যোগান ধৰা হয়। বীজ নিগমৰ ৫খন নাৰ্চাৰীৰ ভিতৰত

উলুবাৰী নাৰ্চাৰী গুৱাহাটী চহৰৰ মাজমজিয়াত থকা সৰ্ববৃহৎ নাৰ্চাৰি। যোৱা ৩/৪ বছৰ ধৰি ক্ৰমান্বয়ে ইয়াৰ জনপ্ৰিয়তা বৃদ্ধি হৈছে আৰু চাহিদাও বাঢ়িছে। গ্ৰাহক ৰাইজৰ চাহিদা আৰু পচন্দ অনুযায়ী উন্নতমানৰ ৰাষ্ট্ৰীয় আৰু স্থানীয় খ্যাতি সম্পন্ন প্ৰতিষ্ঠানৰ পৰা সময়ে সময়ে বীজ আৰু ফলমূলৰ পুলি পোখা সকলো বিধি নিয়মৰ মাজত ক্ৰয় কৰি বিতৰণ কৰা হয়। ক্ৰয়ৰ ক্ষেত্ৰত নিগমে উৎস পৰা ক্ৰয় কৰাতহে অগ্ৰাধিকাৰ দিয়ে।

ফলমূল বা ফুল পুলি পোখা যোগান ধৰাৰ ক্ষেত্ৰত নিগমৰ প্ৰচলিত নিয়ম মানি নিবিদা আহ্বান কৰি নিগমৰ ক্ৰয় সমিতিৰ অনুবন্ধন অনুমোদন সাপেক্ষেহে কিনি যোগান ধৰা হয়। ক্ৰয় কৰোতে সাধাৰণতে বীজ বা পুলিৰ মানদণ্ডৰ লগত পচন্দ মতে প্ৰাধান্য দিয়া হয়। বাতৰিত উল্লেখ কৰা মতে উলুবাৰীৰ শাখা পৰিচালকৰ পছন্দৰ যোগনীয়াৰৰ পৰা ক্ৰয় কৰাটো সম্পূৰ্ণ ভিত্তিহীন আৰু সত্য নহয়।

বাতৰিত উল্লেখিত অসমৰ বাহিৰৰ উত্তৰ প্ৰদেশৰ খেতিয়ক হবিৰ খানৰ পৰা ফলমূলৰ পুলি বিশেষকৈ গোলাপ, সুমথিৰাৰ চকু কলম, মোচম্বিৰ চকু কলম ইত্যাদি যিবোৰ অসমত সহজলভ্য নহয় তেনেকুৱা কিছুমান বস্তু ক্ৰয় কৰা হৈছে। এইক্ষেত্ৰত নিগমৰ প্ৰচলিত নিয়ম অনুসৰি নিবিদাৰ যোগেদি আৰু নিগমৰ পাৰ্চেল কমিটিৰ অনুমোদনক্ৰমেহে কিনি স্থানীয় চাহিদা পুৰোৱাৰ উপৰিও চুবুৰীয়া ৰাজ্য মিজোৰামলৈ যোৱা ১৯৯৬-৯৭ চনৰ পৰা তেওঁলোকৰ চাহিদা অনুসৰি যোগান ধৰি থকা হৈছে।

বাতৰিত উল্লেখ কৰা মতে পশ্চিম বঙ্গৰ ২৪ পৰগণা জিলাৰ বাদল ঘোষ, অমৃত চৰকাৰ আৰু কোচ বিহাৰৰ জনৈক দেৱৰ পৰা কোনো বীজ বা পুলি কিনা হোৱা নাই। আনহাতে নিবিদাৰ যোগেৰে অসম লক্ষী নাৰ্চাৰী (সোণাপুৰ) গৌৰী চীডচ আৰু নাৰ্চাৰী (২৪ পৰগণা, কলিকতা) আৰু দে নাৰ্চাৰীৰ (কালকাটা, দিনহাটা ৰোড কোচবিহাৰ) আৰু চৌধুৰী নাৰ্চাৰী (ৰামফৰ, টোপাটুলি, কামৰূপ)ৰ পৰা ১৯৯৮-৯৯ চনত সোতা বৰ্দ্ধক পুলি তেওঁলোকৰ লগত মজুত থকা ৰঙৰ প্ৰাচুৰ্য্য আৰু মানদণ্ডৰ লগতে দামৰ ওপৰত নিৰ্ভৰ কৰি ক্ৰয় কৰা হৈছে। আৰু ক্ৰেতাৰ চাহিদা অনুযায়ী বিক্ৰী কৰা হৈছে। এইক্ষেত্ৰত কোনো বিধি নিয়ম উলংঘা কৰা হোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** বাতৰিটো সত্য নে অসত্য?

*** শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী (কৃষি মন্ত্ৰী) ঃ** বাতৰিটো সত্য নহয়।

---
* Speech not corrected

মাননীয় অধ্যক্ষ ঃ অসত্য বাতৰিৰ ওপৰত আমি সদনৰ সময় নষ্ট কৰিব নোৱাৰো।

* শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী (কৃষি মন্ত্ৰী) ঃ আমাৰ দে ডাঙৰীয়া সন্তুষ্ট হৈছে নে নাই, যদি হৈছে মোৰ কবলগীয়া নাই।

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়াই যিহেতু ৰুলিং দিছে আপত্তি নাই।

**Mr. Speaker** : Hon'ble Members are very cautious. Now, Hon'ble Member Shri Sukhendu Shekhar Dutta to speak please.

* **Shri Sukhendu Shekhar Dutta** : I draw the attention of the Hon'ble Minister Education regarding the news items published in the 'Agrodoot' dt. April 10, 1999 under the caption "দুৰ্নীতিগ্ৰস্ত লোককো সদস্য সচিব". Under this caption some more news items have also been published. Out of these news items one is regarding 'Madrasa Education'. There in an apprehension Sir that the Selection Committee of Assam State Madrasa constituted recently is not as per Rules i.e., in the news item. As per Rules, the Committee is supposed to be constituted with 9 (nine) Members but here this Committee is constituted only with 7 (seven) Members. This is not as per the rules. More important thing is that the Committee shall constitute three senior-most principal or superintendent, Senior Madrasa. This time when the Committee has been constituted the head of Badarpur Deorial Madrasa has been taken in the Committee. The head of that Madrasa is the applicant and he is a Member of the Selection Committee. This goes against any norms in the world. It is a surprising thing Sir where an applicant is there in the Selection

* Speech not corrected

Committee. That Sir Vigilence and Anti-Corruption Cell recently conducted an inquiry about the alleged malpractices against Mr. Kayum and so far as we know they were found guilty. But this Dy. Director is still heading the Committee. Some items are being published against the Department of Education. They have the right to publish this. But it touches our sentiments our prestigue so I will bring this matter before the Hon'ble Minister, Education. The Committee should be disolved. It should be constituted particularly with a man of integrity, by some educationist and proper action be taken against the Dy. Director of Madrasa.

Thanking you, Sir.

**শ্ৰী থানেশ্বৰ বড়ো (শিক্ষা বিভাগৰ মন্ত্ৰী) ঃ** 'দূৰ্নীতিগ্ৰস্ত লোককো সদস্য-সচিব' শিৰোনামাৰে ১০ এপ্ৰিলৰ দৈনিক অগ্ৰদূতত প্ৰকাশিত শীৰ্ষক বাতৰিটো সম্পূৰ্ণ উদ্দেশ্য প্ৰণোদিত আৰু বিভ্ৰান্তিমূলক।

১৯৯৮ চনৰ ৩১/৮/৯৮ তাৰিখে বিভাগৰ চিঠি নং - বি(৩) এছ-৪৯৯/৯৬/৭৬ যোগে অসম মাদ্ৰাছা প্ৰাদেশীকৰণ আইনৰ ৫(৩) বিধি অনুযায়ী বাছনি কমিটিখন ৰাজ্য চৰকাৰে গঠন কৰি দিয়ে। মাদ্ৰাছা প্ৰাদেশীকৰণ আইন অনুযায়ী ৯ জন সদস্যৰ দ্বাৰা নহয় বৰং ৭ জন সদস্যৰ দ্বাৰাহে বাছনি কমিটিখন গঠন কৰি দিব লাগে আৰু তদানুসাৰেই চৰকাৰে গঠন কৰি দিছে, ইয়াত সকলোবোৰ নিয়ম-কানুন ধোৱা চাঙত তোলাৰ প্ৰশ্ন অৱান্তৰ।

মাদ্ৰাছা প্ৰাদেশীকৰণ আইনৰ 5(3)(V) বিধি অনুযায়ী টাইটেল মাদ্ৰাছা, আৰবী কলেজ আৰু ছিনিয়ৰ মাদ্ৰাছাৰ ভিতৰত সৰ্বজেষ্ঠ এগৰাকীকহে সদস্য বাবটো দিয়া বাধ্যতামূলক। তিনিগৰাকী নহয় আৰু কাকতত উল্লেখ কৰাৰ দৰে সদস্য সচিব নহয় - সদস্যহে, সেই হিচাপে বৰ্তমানে অসমৰ বিভিন্ন টাইটেল মাদ্ৰাছা আৰবী কলেজ আৰু ছিনিয়ৰ মাদ্ৰাছা সমূহৰ ভিতৰত সৰ্বজ্যেষ্ঠ ব্যক্তি এগৰাকীকহে সদস্য হিচাপে অৰ্ন্তভূক্তি কৰাৰ নিয়ম। সেই অনুসাৰে অধ্যক্ষ আৰু অধীক্ষকসকলৰ জেষ্ঠতাৰ তালিকা ভিত্তিত জেষ্ঠতম অধীক্ষক এগৰাকীকহে সদস্য হিচাপে অৰ্ন্তভূক্তি কৰা হৈছে।

বদৰপুৰ-দেওৰাইল ছিনিয়ৰ মাদ্ৰাছাৰ অধীক্ষক মৌলানা ছুফিকুৰ ৰহমানক শিক্ষা মন্ত্ৰীৰ কোনো গোপন নিৰ্দ্দেশমতে মাদ্ৰাছা বাছনি কমিটিক অৰ্ন্তভূক্তি কৰা নাই। বৰং মাদ্ৰাছা প্ৰাদেশীকৰণ আইনৰ 5(3)(VI) বিধি অনুযায়ী ৰাজ্যিক মাদ্ৰাছা শিক্ষা পৰিষদৰ ২১/২/৯৭ তাৰিখৰ বাৰ্যিক অধিবেশনৰ ২ নং প্ৰস্তাবানুযায়ীহে তেওঁক বাছনি কমিটিৰ সদস্য হিচাপে সৰ্ব্বসন্মতিক্ৰমে নিৰ্ব্বাচিত কৰে আৰু তদানুযায়ী চৰকাৰে তেওঁৰ নাম বাছনি কমিটিত অৰ্ন্তভূক্তি কৰে, যিটো মাদ্ৰাছা প্ৰাদেশীকৰণ আইন অনুযায়ী বাধ্যতামূলক। উল্লেখযোগ্য যে সদস্য সচিব হিচাপে নহয়।

ৰাজ্যিক মাদ্ৰাছা বাছনি কমিটিৰ ১৪/১০/৯৮ তাৰিখৰ ৯ নং প্ৰস্তাবানুযায়ী অসমৰ বিভিন্ন টাইটেল মাদ্ৰাছা ছিনিয়ৰ মাদ্ৰাছা আৰু আৰবী কলেজত খালি হৈ থকা পদসমূহৰ পূৰণৰ বাবে ৮/১/৯৯ তাৰিখত আসাম ট্ৰিবিউন প্ৰমুখ্যে কেইবাখনো বাতৰি কাকতত বিজ্ঞপ্তি প্ৰকাশ কৰা হয় আৰু উক্ত বিজ্ঞপ্তি অনুসাৰে মৌলানা ছুফিকুৰ ৰহমান চাহাবেও অধ্যক্ষ পদৰ বাবে আবেদন দাখিল কৰা কথাষাৰ সঁচা। কিন্তু এই বিষয়টো যেতিয়া ৰাজ্যিক বাছনি কমিটিৰ ৩/৪/৯৯ তাৰিখৰ বৈঠকত সদস্য-সচিবে কমিটিত উত্থাপন কৰে, তেতিয়া কমিটিয়ে তেওঁক সভাৰ পৰা বিৰত থাকিবলৈ অনুৰোধ জনায় আৰু তদানুযায়ী উক্ত সদস্যজনে বাছনি কমিটিৰ সভাৰ পৰা বিৰত থাকে। সভাত আলোচনা মৰ্মে তেওঁৰ আবেদন পত্ৰ নাকচ কৰা হয়, আৰু পৰবৰ্ত্তী সময়ত তেওঁও অধ্যক্ষৰ বাবে কৰা আৱেদন খন প্ৰত্যাহাৰ (withdraw) কৰি লয়। গতিকে এইক্ষেত্ৰত কোনো সদস্য-হিচাপে কোনোৱাই সুবিধা আদায় কৰাৰ প্ৰশ্নই উঠিব নোৱাৰে।

মাদ্ৰাছা প্ৰাদেশীকৰণ আইনৰ 5(3)(i) বিধি অনুযায়ী সদনে সদস্য-সচিব হিচাপে বৰ্ত্তমান উপ-সঞ্চালকজন সদস্য-সচিব হোৱাটো বাধ্যতামূলক। সেয়ে ১৯৯৮ চনৰ আগষ্ট মাহত মাদ্ৰাছা শিক্ষাৰ উপ-সঞ্চালক সদস্য-সচিব হিচাবে লৈ উক্ত বাছনি কমিটিখন চৰকাৰৰ অধিসূচনা নং - V(3) এছ ৪৯৯/৯৬/৭৬ তাৰিখ ৩১/৮/১৯৯৮ ৰ জৰিয়তে গঠন কৰা হৈছিল। এতিয়ালৈ উক্ত উপ-সঞ্চালকজনক কোনো অভিযোগত অভিযুক্ত কৰা হোৱা নাই। সেয়ে উক্ত বাতৰি উদ্দেশ্য প্ৰণোদিত আৰু ভিত্তিহীন। অতএব এইক্ষেত্ৰত শিক্ষা বিভাগৰ উচ্চতম কৰ্ত্তৃপক্ষৰ মুনাফা লুটাৰ বাট প্ৰশস্ত কৰাৰ কোনো প্ৰশ্নই উঠিব নোৱাৰে আৰু এইক্ষেত্ৰত মাদ্ৰাছা শিক্ষা পৰিষদৰ একাংশ শীৰ্ষ বিষয়াই দাবী

কৰা কথাষাৰও সম্পূৰ্ণ মিছা আৰু বিভ্ৰান্তিমূলক।

**Mr. Speaker :** Now, Hon'ble Member, Shri Dilip Kumar Saikia to raise Zero Hour Motion which was published in Assamese paper Dainik Asom dated 11.5.99 under the caption "১.৭৫ লাখ টকাৰ বিক্ৰীকৰ ফাঁকি দি মোকলাই নিলে ৪৩ খন জব্দ ট্ৰাক।"

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভা যেতিয়া চলি আছে, ইয়াত মাননীয় সদস্যসকল বহি আছে। যোৱা কালি গৃহ বিভাগৰ ওপৰত আলোচনা হৈছিল। ঘটনাটো ঘটিছিল পুৱা ৮ বজাত। আমি যেতিয়া ১২৬ জন সদস্যই অসম বিধান সভাত অসমৰ ২ কোটি ২২ লাখ মানুহক প্ৰতিনিধিত্ব কৰিছো। এই বিভাগটোৰ ওপৰত বাজেটো পাছ কৰিছো। অসমৰ যিসকল পূৰ্বতে আলফা আছিল পিছত তেওঁলোকে অসমৰ মূল সুঁতিলৈ ঘূৰি আহিছিল, অসমৰ আইনৰ গণ্ডীত কাম কৰিম বুলি তেওঁলোকে শপত লৈছিল সেই যুৱক সকলে আজি আইনৰ গণ্ডীৰ বাহিৰলৈ গৈ কিছু কাম কৰা দেখিবলৈ পাইছো। আমি সঁচাকৈ মৰ্মাহত হৈছো। এই সকল যুৱকে আত্মসংস্থাপনৰ নামত, মই সকলোৰে কথা কবলৈ বিচৰা নাই কিছু ব্যক্তিৰ কথা কৈছো তেওঁলোকে তাণ্ডৱ ভূমিকা গ্ৰহণ কৰিছে। বিভিন্ন সময়ত নিবিদা দিয়াৰ কাৰণে তাণ্ডৱ নৃত্য চলিছে। বলপূৰ্বক ভাৱে নিবিদা দিছে। অসম বিধান সভাৰ প্ৰতিজন ব্যক্তি, প্ৰতিজন সদস্যই এইটো গভীৰভাৱে আলোচনা কৰিব লাগে। মই অসম বিধানৰ সভাৰ সদস্য হিচাপেই নহয়, প্ৰতিজন সদস্যই আলোচনাত অংশ গ্ৰহণ কৰিব লাগে। এইটো এটা স্পৰ্শকাতৰ বিষয়। যোৱা কালি ৮ বজাত জালুকবাৰীত চেল টেক্সৰ গাড়ী পৰীক্ষা চকীত ঘটিছিল। কয়লা বোজাই কৰি সেইফালে ট্ৰাক পাৰ হৈ গৈছে। সেই গেটৰ অজস্ৰ ট্ৰাক পাৰ হৈ যায়। দেখিও নেদেখাৰ ভাওঁ ধৰে। তাৰ ভিতৰৰে এজন সাহসীয়াল বিষয়াই সদায় এনেকৈ গাড়ী পাৰ হৈ যাব দিব নোৱাৰি বুলি গাড়ী জব্দ কৰিলে। এখন দুখনকৈ ৪৩ খন গাড়ী জব্দ কৰিলে। এই সংখ্যা বেলেগ বেলেগ কাকতত বেলেগে ওলাইছে। এই গাড়ীবোৰ পাৰ হৈ যাওঁতে ১৭৫০.০০ টকাকৈ গেটত চালান দিব লাগে। এই কয়লা ট্ৰাকবোৰ ৰঙিয়া ষ্টেচনত ওৱাগনত ভৰ্ত্তি কৰিবলৈ লৈ যায়। এই ট্ৰাকবিলাক কয়লা হিচাবতকৈ

---

* Speech not corrected

বেছিকৈ নিয়ে। এইটো এটা নিয়মত পৰিণত হৈছে। এই ট্ৰাকবোৰ ধৰি ৰখাৰ পিছত চালফাৰ কিছুমান সদস্যই জোৰজবৰদস্তি তাণ্ডৱ নৃত্য চলায়। তেওঁলোকে বিষয়াসকলক মাৰপিট কৰিছে। মাৰপিট কৰি তেওঁলোকে গাড়ী লৈ গুছি গ'ল। এই কথাবিলাক কাগজত ওলাইছে। এই গাড়ীৰ নম্বৰবোৰ প্ৰতিদিন কাকতত ওলাইছে। এই গাড়ীবোৰ অনাঅসমীয়া ব্যৱসায়ী। মোৰ খবৰ মতে এখন গাড়ীও জব্দ কৰিব পৰা নাই। এই ব্যৱসায়ীসকল অসমীয়া, অনাঅসমীয়াৰ কথা নহয়। দুস্ত সদায়ে দুস্ত। সেই কাৰণে সন্দেহ হয় পুলিচ আৰু চালফাৰ মাজত সম্বন্ধ আছে। nexus between police and SULFA কিছু কিছু পুলিচ আছে গাড়ীখন যোৱাৰ আগতে খবৰ দি দিয়ে গাড়ী সেইফালে লৈ যাব। মাননীয় অধ্যক্ষ ডাঙৰীয়া, আইন সকলোৰে কাৰণে সমান। আজি আমাৰ মাননীয় সদস্য ৰচিদুল হকক গ্ৰেপ্তাৰ কৰা হৈছে। এম,এল,এ, সৰ্বসাধাৰণ, চালফা সকলোৰে কাৰণে একেখন আইন। চালফা সকল আমাৰ মাজলৈ, মূল সুঁতিলৈ ঘূৰি আহিছে। অধ্যক্ষ মহোদয়, এনেধৰণৰ বহুতো ঘটনা হৈ আছে। আজি উযা কোৰ্টত গ্ৰেনেড দলিয়াইছে। তাৰ অলপ সময়ৰ পিছত মই গাড়ী লৈ সেই ফালেদি মই আহিছো। তেতিয়াই খবৰ পালো যে তাত গ্ৰেনেড নিক্ষেপ কৰিছে। কিন্তু কথা হ'ল যিটো ৰুমত ৰকেট পৰিছিল এঘন্টা সময়লৈকে পুলিচ তাত সোমাব পৰা নাছিল। This is insult to the police মই এই কাৰণেই কৈছো যে এছ,পিক তাত সোমাব দিয়া নাছিল। পিছত ডি,জি,পি, গৈছে।

অধ্যক্ষ মহোদয়, আমি অসম বিধান সভাত বহি আছো ৰাইজৰ স্বাৰ্থত আৰু সমাজৰ স্বাৰ্থত। গতিকে তেখেতসকলক আহ্বান জনাইছো। আমি বিভিন্ন ধৰণে সহায় কৰিম চৰকাৰৰ যি নীতি নিয়ম আছে সেই হিচাবে তেওঁলোকে ব্যৱসায় বাণিজ্য, ঠিকা ঠুকুলী আদিত টেণ্ডাৰ দিব। আমি সহায় কৰিম তেওঁলোকক চৰকাৰে ২ লাখ কৰি টকা দিছিল সেই টকা তেওঁলোকে ঘূৰাই দিব পৰা নাই। শিমলুগুৰিৰ ইউকো বেংকটোৱে টকা ৰিকভাৰি কৰিব নোৱাৰা বাবে লক্ষিমপুৰৰ বেংকৰ লগত এটাচ কৰা হৈছে। যি সকল চালফা আছে সেই সকলো আমি আমাৰ বন্ধু বা কোনোবা আমাৰ ভাইটি আৰু তেখেত সকলক আহ্বান জনাও যে মূল সূতিলৈ ঘূৰি আহে আৰু এনে ধৰণৰ বে-আইনী কাম নকৰে। আজিৰ তাৰিখৰ পৰা অন্তঃত এই কাম বিলাক সমাপ্ত হয় তাৰ কাৰণে মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি গোচৰ কৰিলো। ভবিষ্যতে যাতে এনে

ঘটনা নহয় আৰু ঘটনাৰ পুনৰাবৃত্তি নহয় আজি কিছুদিনৰ আগতে কিছুমান নাও ট্ৰাকত আনিছিল সেই ট্ৰাক বিলাকৰ পৰা ১০ হাজাৰ কৰি দাবী কৰিছিল আৰু কৈছিল টকা নিদিলে নাও নমাবলৈ নিদিও কিন্তু পৰিবহন মন্ত্ৰীয়ে পুলিচৰ জৰিয়তে খবৰদাৰ কৰি দিয়াত এক পইচাও দিবলগা নহল। পইচা নিদিয়াকৈয়ে ট্ৰাক বিলাক বাচিল। যদিহে এনে পৰিস্থিতি হয় অসমলৈ কোন আহিব? আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যাতে এই সমস্যা বিলাক দূৰ কৰাৰ কাৰণে দৃঢ় পদক্ষেপ লয় আৰু সমস্যা বিলাক সমাধান কৰিব লাগে।

* শ্ৰী গিৰিন্দ্ৰ কুমাৰ বৰুৱা ঃ অধ্যক্ষ মহোদয়, গোটেই বিষয়টো স্পৰ্শকাতৰ। যোৱা কালি গৃহ বিভাগৰ বাজেট সম্পৰ্কে আলোচনা কৰা সময়ত কোৱাৰ বাবে সুবিধা নাপালো। আজি ৰাজ্যখনত আলফাই অনিষ্ট কৰিছে আৰু সমানেই দিন দুপৰতে বন্দুক লোৱা সকলেও অনিষ্ট কৰিছে। মই সিদিনা বিলাহী আধা কিলো কিনিবলৈ গৈ ৫০ টকা দিলো আৰু ৩৮ টকা ঘূৰাই লবলৈ মোৰ সময় নহল। আজি বন্দুক লৈ মানুহ ঘূৰি ফুৰা বাবে বজাৰ সমাৰ আদি কৰিব নোৱাৰা অৱস্থা হৈছে। দিন দুপৰতে এনে অৱস্থা হৈছে কিন্তু আৰক্ষী বিভাগ নিশ্চুপ হৈ বহি আছে। আজি গুৱাহাটীৰ মাজ মজিয়াৰ পৰা ট্ৰাক লৈ গুচি গৈছে তেনেস্থলত শিৱসাগৰ বা তেজপুৰত কি অৱস্থা হ'ব অনুমান কৰক। আজি চৰকাৰে দৃঢ় পদক্ষেপ লব লাগে। নহলে সমাজত শান্তি প্ৰতিষ্ঠা হব বুলি ভাবিলে ভুল কৰা হব। আমি কৈছো যে, মূল সূতিলৈ ঘূৰি আহি ব্যৱসায় বাণিজ্য কৰক মূল সূতিলৈ ঘূৰি অহাৰ পিচত অস্ত্ৰৰ প্ৰয়োজন নাই। অস্ত্ৰৰ দ্বাৰা যাতে ভদ্ৰ মানুহৰ অপকাৰ নহয় চৰকাৰে সেইটো চাব লাগে। আজি এচাম ব্যৱসায়ী আৰু কিছুমান ভদ্ৰ ব্যক্তি ব্যতিব্যস্ত হৈ পৰিছে। মই যেতিয়া মহাবিদ্যালয়ত কাম কৰিছিলো সেই সময়ত আমাৰ বিধান সভা চলি আছিল। শিৱসাগৰৰ পৰা ১১ জন চালফা সদস্য আহিছে। তেওঁলোকৰ হাতত বন্দুক দেখি আমি বেলেগ ৰাস্তাৰে আহিবলৈ বাধ্য হলো। দাউন টাউন হস্পিতালত যি কেইজন লৰা ৰাখিছিল তেওঁলোকৰ ৰুমৰ আগত তেওঁলোকৰ লৰাই চিকিউৰিটি হিচাবে আছিল। তেনেহলে অৱস্থা কি হব ভাৱক। মূল সূতিলৈ আহি হাতত বন্দুক লৈ সমাজক অনিষ্ট কৰা এই উদণ্ড লৰা বিলাকক নিয়ন্ত্ৰন কৰাৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহন কৰিব লাগে।

* Speech not corrected

## Zero Hour Matters

*** শ্ৰী হেমেন দাস ঃ** অধ্যক্ষ মহোদয়, আমি বিচাৰিছিলো যে, মূল সূতি মানে শান্তিপূৰ্ণ জীৱন যাপন কৰা। যিবিলাকে অস্ত্ৰ ত্যাগ কৰিছে তেওঁলোকে স্বাভাৱিক জীৱন যাপন কৰিব লাগে। অলপতে মোৰ তালৈ এজন লৰা আহিছিল সন্ত্ৰাসবাদী সংগঠনৰ পৰা তেওঁ আহি গুৱাহাটীত আছে। মই কলো তুমি এটা কাম কৰা - তুমি চাৰেণ্ডাৰ কৰা মই মুখ্যমন্ত্ৰীৰ ওচৰলৈ লৈ যাম তুমি চাকৰি পাবা। তেওঁ কলে চাৰ, যত চাকৰি কৰিলে অস্ত্ৰ ধৰিব লাগে তাত চাকৰি নকৰো। যদি পাৰো গুৱাহাটীতে ব্যৱসায় কৰিম। এতিয়া সেই লৰাজনে গুৱাহাটীতে ব্যৱসায় কৰি আছে। তেনেধৰণৰ লৰাক সসন্মানে শ্ৰদ্ধা জনাইছো। কাৰণ চাকৰি নালাগে যিটোত অস্ত্ৰ হাতত লব লাগে। কিছুমানে আত্ম সমৰ্পন কৰাৰ পিচতো অস্ত্ৰ লৈ ফুৰে। অস্ত্ৰই কেতিয়াও কাৰো জীৱন ৰক্ষা নকৰে। শান্তিপূৰ্ণ মানুহৰ অস্ত্ৰৰ প্ৰয়োজন নাই। আজি ইয়াত বহুতো ডাঙৰ ডাঙৰ ব্যৱসায়ী আছে কিন্তু তেওঁলোকৰ অস্ত্ৰ নাই। সেই লৰা বিলাকে যদি ব্যৱসায় কৰিছে তেনেহলে অস্ত্ৰৰ প্ৰয়োজন নাই। আজি অস্ত্ৰ কিয় লৈছে? বিষয়া সকলক ভয় ভাবুকি দি কিছুমান নিজৰ সুযোগ সুবিধা আদায় কৰা বাবে। আৰু সমাজত নানা সমস্যাৰ সৃষ্টি কৰাৰ বাবে। কেইদিনমান আগতে মোৰ তালৈ এজন আহিছিল হাতত অস্ত্ৰলৈ তেওঁলোক সকলোৰে ওপৰত। এইটো এটা ভয়াবহ কাৰবাৰ [illegible] এই কাৰবাৰৰ পৰা ৰাজ্যখনক ৰক্ষা কৰিব লাগে। যি সকলে চাৰেণ্ডাৰ বা আত্মসমৰ্পন কৰিব পৰা নাই তেওঁলোক যেন স্বাভাৱিক জীৱনলৈ ঘূৰি আহক। যি সকলে অস্বাভাৱিক অৱস্থাৰ সৃষ্টি কৰিছে এইটো দেখি শুনি সহ্য কৰাটো উচিত নহয়। কালি যিটো ঘটনা শুনিছো আগতেও এনে ঘটনা হৈছে। এইবিলাক বন্ধ কৰিব লাগে। আৰু অস্ত্ৰলৈ ঘূৰি ফুৰিব নালাগে। অবৈধ অস্ত্ৰলৈ বিনা বাধাই ঘূৰি ফুৰিব নালাগে। মই আশা কৰিছো চৰকাৰে এই সম্পৰ্কে ব্যৱস্থা গ্ৰহন কৰিব। কিন্তু অস্ত্ৰ ধৰি কোনো কল্যানজনক বা মঙ্গলজনক কাম কৰিব নোৱাৰে। আজি ব্যৱসায় বানিজ্যৰ কথা ভাবিলে আমি বহুতৰে খবৰ পাওঁ গুৱাহাটীত ব্যৱসায় বাণিজ্য কৰি থকা মানুহবো এনে দুৰ্দ্দশা হৈছে। অসমীয়া লৰা কিছুমানে ব্যৱসায় কৰিব নোৱাৰা পৰিবেশৰ সৃষ্টি হৈছে। এইক্ষেত্ৰত চৰকাৰে কাৰ্য্যপন্থা হাতত লব লাগে আৰু পুলিচ প্ৰশাসনেও যাতে এই লৰা উচটাই নিদিয়ে তাৰ কাৰণে নজৰ দিব লাগে।

**শ্ৰী গহীন চন্দ্ৰ দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টোত আমাৰ দলৰ

---

* Speech not corrected

ফালৰ পৰা বহুতো কথা কোৱা হ'ল কিন্তু মেজৰ অপজিচন পাৰ্টিৰ ফালৰ পৰা একো নকলে।

* **শ্ৰী প্ৰদ্যুত বৰদলৈ** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো ৰুলিং পাৰ্টি বা অপজিচন পাৰ্টি বুলি কোনো কথা থাকিব নোৱাৰে। এইটো কংগ্ৰেছ বা এ,জি,পি,ৰ কথা নহয়। আজি আমাৰ কিছুমান যুৱক যি পৰ্য্যায়লৈ অৱনমিত হৈছে, তেওঁলোকে হাতত অস্ত্ৰ শস্ত্ৰ লৈ ঘুৰি ফূৰি সৰ্বসাধাৰণ ৰাইজৰ মনত এটা আতংক সৃষ্টি কৰিছে আৰু ইয়াৰ ফলত সৰ্বসাধাৰণ ৰাইজ ক্ষতিগ্ৰস্থ হৈছে। মই মাৰ্ঘেৰিটাৰ পৰা আহিছো আৰু সেই ঠাইতো এনে ধৰণৰ যুৱক সকলে মাৰ্ঘেৰিটাৰ ক'ল ইণ্ডিয়াৰ ট্ৰাকৰ পৰা বেআইনি ভাবে কৰ সংগ্ৰহ কৰিবলৈ লৈছো। এই যুৱক সকল হ'ল অলপতে তেওঁলোকে মৰিয়নিত আলফাৰ পৰা চাৰেণ্ডাৰ কৰিছে। চাৰেণ্ডাৰ কৰি গৈয়ে তেওঁলোকে এই কাৰ্য্যত ব্ৰতী হৈ পৰিছে। তেওঁলোকে প্ৰথমতে ক'ল ইণ্ডিয়াৰ ট্ৰাকৰ পৰা ৪০০ কৈ টকা সংগ্ৰহ কৰে আৰু পিচলৈ এইটো বৃদ্ধি কৰি ১০০০ টকা কৰে। এই বিষয়টো আমি জিলা প্ৰশাসনকো জনাইছো কিন্তু তেওঁলোকৰ ফালৰ পৰাও এতিয়ালৈ ব্যৱস্থা লোৱা পৰিলক্ষিত হোৱা নাই। এই চালফা যুৱক সকলে এটা কথাই কয় যে গুৱাহাটীত যদি এনে কৰ সংগ্ৰহ কৰিব পাৰিছে আমি কিয় নোৱাৰো? আজি আমি অসমৰ আইন শৃংখলা ৰক্ষা তথা ৰাজ্যখনৰ উন্নতিৰ কাৰণে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। কিন্তু তাৰ উদ্দেশ্য এইটো নহয় যে আমি সৰ্বসাধাৰণ ৰাইজৰ ক্ষতি কৰি এচাম যুৱকক এনে ধৰণৰ কিছুমান বেআইনি কাম কৰিবলৈ দিম। গতিকে এইটো এটা গুৰুত্বপূৰ্ণ কথা আৰু এইক্ষেত্ৰত চৰকাৰে অতি সোনকালে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। আত্ম ৰক্ষাৰ কাৰণে চৰকাৰে নিশ্চয় ব্যৱস্থা লব লাগে কিন্তু তাৰ কাৰণে আইন হাতত তুলি লব সেইটো হব নোৱাৰে।

* **শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো সম্পৰ্কত চৰকাৰ জ্ঞাত। যি ৪৩ খন ট্ৰাকৰ কথা উল্লেখ কৰা হৈছে সেই ট্ৰাক কেইখনে টেক্স নিদিয়াৰ কাৰণে ৰাতিপুৱা ৫/৬ মান বজাৰ ভিতৰত ৰখা হৈছিল আৰু তেওঁলোকক টেক্স দিয়াৰ কাৰণে কোৱা হৈছিল। তেনে এটা অৱস্থাতে কিছুমান যুৱকে এটা হুলস্থুল পৰিবেশৰ সৃষ্টি কৰে। ইতিমধ্যে এই সম্পৰ্কত প্ৰশাসনে কেচ হাতত লৈছে আৰু এইক্ষেত্ৰত সম্পূৰ্ণ ব্যৱস্থা

---

* Speech not corrected

লোৱা হব। কিন্তু কাগজে পত্ৰই বিষয়টো যেনে ধৰণে ওলাইছে গোটেই কথা বিলাক তেনে ধৰণৰ নহয়। যেনে - ট্ৰাকৰ সংখ্যা কিমান, নম্বৰ কিমান আদি। এইক্ষেত্ৰত এফ,আই,আৰ, লজ কৰা হৈছে। প্ৰকৃততে ৪৩ খন ট্ৰাকৰ পৰা টেক্স পাব লাগে ৭৩,২৫০.০০ টকা। কিন্তু বাতৰি কাগজত এক লাখ পসত্তৰ হাজাৰ বুলি লিখিছে। এইটো নহয়। ঠিক তেনেকৈ চৰকাৰৰ তৰফৰ পৰা ইতিমধ্যে ব্যৱস্থা লোৱা হৈছে। আগতে যি সকলে চাৰেণ্ডাৰ কৰিছিল তেওঁলোক কেনে ধৰণে থাকিব বা কি সুবিধা দিব তাৰ স্পষ্ট কোনো নিৰ্দেশ নাছিল। সেই কাৰণে আমি কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি এটা পেকেজৰ ব্যৱস্থা কৰিছো আৰু আমি আশা কৰিছো এইক্ষেত্ৰত মানুহক মটিভেট কৰি এটা সুষ্ঠ বাতাবৰণৰ সৃষ্টি কৰিব পাৰি। ১৯৯৬ চনত যিটো অৱস্থা আছিল এতিয়া লাহে লাহে সম্পূৰ্ণ কণ্টোললৈ আহিছে। এইক্ষেত্ৰত পুলিচ বিভাগকো নিৰ্দেশ দিয়া হৈছে যাতে তেওঁলোকে আইন হাতত তুলি লব নোৱাৰে। কিন্তু আমি কিছুমান ক্ষেত্ৰত চিকিউৰিটি দিব লগীয়া হয়। কিছুমানক পি,এচ,ও, নিদিলে হয়তো মাৰি পেলাব। গতিকে এই বিষয়টো চৰকাৰৰ তৰফৰ পৰা ব্যৱস্থা লবলৈ নিৰ্দেশ দিয়া হৈছে, কেচ ৰেজিষ্ট্ৰি হৈছে আৰু প্ৰশাসনৰ তৰফৰ পৰা ব্যৱস্থা লোৱা হৈছে।

**শ্ৰী গহীন চন্দ্ৰ দাস** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি বৈধ নীতিৰ ক্ষেত্ৰত আলোচনা কৰিছিলো কিন্তু মন্ত্ৰী মহোদয়ৰ পৰা উত্তৰ নাপালো। আজি এইটো নিদিলে, কাইলৈ দিব নেকি?

**মাননীয় অধ্যক্ষ** ঃ মোৰ কেপাচিটিৰে তিনিটা দিব পাৰো। আপোনালোকে বনাই দিয়া নিয়ম মতে মই কাম কৰিম। I can only select the notice.

## MATTER UNDER RULE 301

Now Item No. 2, Hon'ble Member Shri Munin Mahanta is absent. So next item No. 3, Hon'ble Member Shri Sukur Ali.

***শ্ৰী শুকুৰ আলী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ৩০১ নং নিয়মৰ অধীনত ১৯৯৯ চনৰ ৭ মাৰ্চ তাৰিখৰ 'দৈনিক অগ্ৰদূত' কাকতত প্ৰকাশিত "ব্ৰহ্মপুত্ৰৰ পানীবোৰাৰ গংগালৈ, বৰাকৰ পানী মনিপুৰলৈ - গমেই নাপায় মহন্ত চৰকাৰে - কেন্দ্ৰই

* Speech not corrected

কাঢ়ি নিব অসমৰ জল সম্পদ"। এই বিষয়টো উত্থাপনৰ জৰিয়তে জলসিঞ্চন মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো।

(মাননীয় সভাপতিয়ে আসন গ্ৰহন কৰে)

